.. .. সন্তানক জন্ম দি পেটৰ ভাত এমুঠি আৰু গাৰ কাপোৰ এডুখুৰি যিয়ে যোগান ধৰিব নোৱাৰে সি পিতৃ নামৰ অযোগ্য ....

# কক্ষচ্যুত

কুমাৰী পৰমেশ্বৰী বড়ো
দ্বিতীয় বাৰ্ষিক কলা

তিৰোতাজনীয়ে এইমাত্র মোৰ সন্মুখেদি মোক অতিক্ৰম কৰি তাবাতাবিকৈ ঘৰ অভিমুখে লৰ মাৰিলে। তাইৰ পিঠিত এটি সৰু বোকোচা ; ঠিক এটি বঙা লাউৰ সমান। বোকোচাটিতকৈ তাইৰ অন্তৰ্বেদনাৰ বোকোচাটিয়েহে তাইক বেচি ভাগকৰা কৰি তুলিছে। ঘৰ গৈ পাইছে মাথোন। এনেতে এজাক লৰা ছোৱালীয়ে মা মা বুলি তাইক বেঢ়ি ধৰিলে। এমুঠি ভিক্ষাৰে তাইৰ যে একোই নহয়। নিজেই খাব নে সেই জাক লৰা ছোৱালীকে খুৱাব। তাৰ উপৰি নিজৰ গিৰিয়েকতো আছেই। বেচেৰী মহা চিন্তাত পৰিল।

ওৰে দিনটো ঘূৰি ঘূৰি শৰীৰ যে ক্লান্ত হৈ পৰিছে। তাইৰ অৱশ শৰীৰৰে অকণ জিৰণি বিচাৰে। জিৰণি বিচাৰিলেও যে বেচেৰীয়ে জিৰণি নাপায়। এমুঠি গোটাই, এসাজ খাই উঠিলেই আন এসাজলৈ তাইৰ চিন্তা।

গিৰিয়েক বনমল—সিনো বাৰু কি কৰে ? এবাহ লৰা ছোৱালীৰ সৈতে নিজৰ ঘৈনীয়েকক সি এতিয়া পোহপাল দিবলৈ অক্ষম হৈ পৰিছে। বাহিৰ ওলাবলৈ সি লাজ কৰে। বিছনাত শুই শুই মাথোন বিগত দিনৰ স্মৃতিবোৰকে সুৱঁৰি সুৱঁৰি হুমুনিয়াহ পেলাই থাকে। তাৰ বাহিৰে দৈনন্দিন জীৱনত তেওঁৰ কৰিবলগীয়া একোৱেই নাই।

দেখিলেই চকুবোৰা সুনীতিজনীক যৌৱনৰ কোনো এক দুৰ্ব্বল মুহূৰ্ত্তত বনমলে ভাল পাই পেলাই-ছিল। আৰু এদিন সুনীতিজনীকে জীৱনৰ সঙ্গিনী কৰি লৈছিল। সংসাৰৰ দুখ দৈন্যৰ কথা চিন্তা কৰিবলৈ সিহঁতৰ অবকাশেই নাছিল। কিন্তু তাৰ আজি আৰু সেই দিন নাই। নগ্ন বাস্তৱৰ পিনে চকু মেলি চাই এতিয়া সি ভাবিছে প্ৰেম আৰু বিবাহ কি বস্তু। মানুহে জীৱনত বহুতো বিচৰাটো মানুহৰ ধৰ্ম্ম। কিন্তু বিচৰা সকলোবোৰ জানো পায় ? কেতিয়াও নাপায়। বনমলে আগতে বহুতো বিচাৰিছিল। তাৰ কল্পনাপিপাসু মনে বিচা-ৰিছিল সুখ, শান্তি, প্ৰেম, ঐশ্বৰ্য্য। এদিন সুনীতিকো বিচাৰিছিল। সুনীতি তাৰ বাবে আছিল আকাশৰ চন্দ্ৰমা। এই কথা একমাত্ৰ বনমলেহে জানিছিল। আজি সি সংসাৰত একো নিবিচাৰে। বিচাৰে মাথো এমুঠি অন্ন ; সংসাৰত জীয়াই থকাৰ অধিকাৰ। বনমলে এইদৰে বহু কথাই ভাবে আৰু আজিও ভাবি ভাবি কেতিয়া টোপনি গ'ল গমেই নাপালে। ইফালে সুনীতিয়ে গোটেই দিন ভিক্ষা কৰি গাটোৰা ধানখিনি বানিবলৈ যো-জা কৰিলে।

পিছ দিনা জেঠ মাহ। ডাৱৰাবৃত আকাশ। ভানু মতীয়ে নিজৰ কিৰণ ঢালি পৃথিবীক চোৱাৰ হেপাহ কৰিও চাব পৰা নাই। ডাৱৰৰ ওৰণিখন অলপ আতৰাই নিজৰ বাংঢালি তেজগোৰা মুখখনে এচালি হেঙুলি পোহৰ লৈ বেকাকৈ হাঁহি মাৰি পঠিয়াইছে। পুৱতিৰ লগে লগে তাই ঈশ্বৰক স্মৰণ কৰি ছিৰা-তাপলি মৰা চাদৰখন মূৰত হৈ এপিনে ওলাই গ'ল। ইপিনে নগলে যে এতিয়াই লৰা ছোৱালীজাকে পেটৰ পোৰণিত ৰক্ষা নাপাই মাকৰ ওচৰতে ৰহি কান্দোনৰ ৰোল তুলিব।

ইফালে গিৰিয়েক বনমল চিন্তিত মনে বিছনাতে দুপৰ বেলিলৈকে শুই আছে। বৰ্ত্তমান সময় তেওঁৰ শোৱা সময়। শোৱাৰ বাহিৰে তেওঁৰ অন্য একো উপায় নাই আৰু বাহিৰ ওলাবলৈকো লাজ পায়। অকৰ্ম্মণ্য লাজুক জীৱনে শোৱা পাটিৰ বাহিৰে আন একো বস্ত চিনি নাপায়।

নবা ছোৱালীজাক টোপনিৰ পৰা সাৰ পাই উঠি অভ্যাসবশতঃ মাকক নিবিচাৰি ধৰণীৰ বুকুত পৰি থকা অসংখ্য ধূলিৰ সতে খেলাত লাগিছে। আটাইতকৈ সৰু লবাজনে মাকক বিচাৰে যদিও বেচেৰা সিঁও জানে, মাকে কলৈ যায়, কিয় যায়। সৰু হলেও নিৰ্য্যাতনে তাক বহু শিকাইছে। বনমলে এবাৰ লবা ছোৱালী কেইটাৰ পিনে বিষন্ন বদনে মূৰ তুলি চাই পঠিয়ালে। সিহঁত যে নিৰ্য্যাতনৰ কবাল গ্ৰাসত পৰি দেউতাকক একেবাৰে চিনি নাপায় সি তাক অনুভৱ কৰে। বেচেৰা-হঁতৰ যে মাকৰ বাহিৰে বৰ্ত্তমান এই সংসাৰত কোনো নাই। বহু গভীৰ চিন্তা কৰি মূৰটো তললৈ নমাই থাকিল। অজানিতে তাৰ চকুলো বৈ আহিল। টোপা টোপে চকুলো সৰি তাৰ ফটা ছিটা কাপোৰ বোৰত আশ্ৰয় ললে। কিন্তু কি হব ? চকুলোৱেতো অন্তৰৰ বেদনা, ৰূঢ় বাস্তৱৰ অভাৱ, নিৰ্য্যাতন তথা দাৰিদ্ৰৰ কবলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে। গভীৰ শোকত বাহিৰ ওলোৱা চকুলোৱে মানুহক উদ্ধাৰৰ পথ নেদেখুৱায়। ই মাথোন নিজৰ দুৰ্ব্বলতাৰহে পৰিচয় দিয়াব পাৰে। সি নিজকে এবাৰ বিজাই চালে অন্য কৰ্ম্মৰত সম-বয়সীয়া মানুহৰ সৈতে। ভাবি বৰ লাজ পায়। কিন্তু লাজ পালেই জানো তাৰ কিবা প্ৰতিকাৰৰ উপায় আছে ? এতিয়া সি নিজৰ সুপ্ত সোবোপা জীৱনটোক লৈ ভাবি চাইছে কি কৰিলে ভাল হব। বহুতো ভাবে কিন্তু তাৰ ভাবৰ সোঁত কোন পিনে বোৱাই দিব তাৰ পথ নেদেখে। আমেৰিকাৰ বৈজ্ঞানিকে যদি চন্দ্ৰত মানৱ বসতিৰ অৰ্থে গবেষণা চলায় তেনেহলে বনমলেও আজি নিজক বৰ্ত্তমান সমাজত প্ৰতিস্থা কৰাৰ গবেষণা কৰিব নোৱাৰে কিয় ? আমেৰিকাই যদি বিজ্ঞানৰ বলেৰে শূণ্যত বাস কৰাৰ কথা চিন্তা কৰিব পাৰে আমাৰ দেশৰ মানুহে দুৰ্ভিক্ষ দূৰীকৰণৰ কথা কিয় চিন্তা কৰিব নোৱাৰে ? কৰিলেও যে উপায় নাই। বণমলে নিজকে পৰীক্ষা কৰি চালে সেয়া তাৰ কিহৰ চকুলো। ইমান টান, সোবোপা, অনুভূতিহীন অন্তৰে যেন আজি কোমল, অনুভূতিশীল হৈ পৰিছে। সি বাৰে বাৰে বাহিৰলৈ মূৰ তুলি চাই পঠিয়াইছে।

বেলি ঠিক দুপৰ হৈছে। পাটিৰ পৰা উঠিবলৈ ইচ্ছা কৰে ; কিন্তু নোৱাৰে। ল'ৰা ছোৱালী জাকে বাহিৰত হাই উৰুমি কৰি আছে। এতিয়া যে বাহিৰ ওলালে সিহঁতে তাৰ ওচৰত কিবা এটা গোচৰ দিব। গোচৰ পাব বাবেই সি উঠিব নোৱাৰে। কাৰণ সিয়ে তাৰ বিচাৰক হব নোৱাৰে। তেতিয়া সন্তানে তাৰ ওপৰত প্ৰতিশোধৰ অগণি জ্বলাই ৰাখিব অন্তৰত। অৱশ্যে তাৰ বাবে আক্ষেপ কৰিবলগীয়া একো নাই তাৰ। এবা, নিজে সন্তান জন্ম দি পেটৰ ভাত এমুঠি আৰু গাৰ কাপোৰ এডুখুৰি যিয়ে যোগান ধৰিব নোৱাৰে সি পিতৃ নামৰ অযোগ্য। সন্তানক সুশিক্ষা দিয়া স্কুল কলেজত পঢ়াই ডাঙৰ মানুহ কৰি গঢ়ি তোলাৰ কথাতো দূৰৰে। সংসাৰৰ এনেবোৰ মানুহ, মানুহ নামৰ অযোগ্য। যৌন জীৱন আৰম্ভ কৰিব পাৰে কিন্তু সেই জীৱনৰ পটভূমিত কি মহত্ব লুকাই আছে তাক চিনিব নোৱাৰে। আনকি চিনিবলৈকো চেষ্টা নকৰে।

বেলি হালি গ'ল। এতিয়াও আহি পোৱা নাই সুনীতি। ৰাতি পুৱাৰ পৰা ঘূৰি এমুঠি ধান নাইবা চাউলও তাই কাবোপৰা পোৱা নাই। যাৰ ঘৰত সোমায় সিয়ে কেতেৰা মাতেৰে নানা কটু কথা শুনায়। বেচেৰীয়ে লঘোনীয়া পেটেৰে আৰু কিমান ফুৰিব ? পেটৰ জ্বালাত বৰ নোৱাৰা যেন হৈ পৰিছে। কিন্তু বৰ নোৱাৰিলেই জানো তাইক কোনোবাই আদৰ কৰিব ? কোনেও নকৰে। যদি আজি তাই ভিক্ষাৰ জোলোঙা নলৈ 'ভেনিটি বেগ' এটাৰে সৈতে ভাল সাজ পোছাক পিন্ধি ঘৰে ঘৰে কথাৰ ফুলজাৰি মাৰি ফুৰিলেহেঁতেন তেনেহলে নিশ্চয় মানুহে তাইক চাহ খুৱাই আদৰ সন্মান কৰিলেহেঁতেন। কিন্তু হতভাগী সুনীতিৰ ভাগ্যত সেয়া নঘটিল। ভগৱানে তাইক ভেনিটি বেগৰ সলনি লবলৈ দিছে ভিক্ষাৰ জোলাঙা। ভাল সাজ পোছাকৰ সলনি পৰিধান কৰিব দিছে মলিয়ন ফটা কানি এডুখৰি। সকলোৱে তাইক ঘৃণাৰ চকুৰে চায়। তাইক আজি সহানুভূতি দেখুৱাবলৈ কোনো নাই। তাই যে

সংসাৰৰ নগণ্য। ঘৃণনীয় হৈ পৰিছে। এই কথা তাই ভালদৰেই উপলব্ধি কৰিছে। তথাপিও যে উপায় নাই। তাইৰ লাঞ্চনা প্ৰপীড়িত জীৱনে লাঞ্চনা কি বস্তু তাক এদিন জানিছিল যদিও তাই আজি পাহৰি পেলাইছে। সেয়ে তাই আজি সমাজৰ অবহেলিত।

এঘৰৰ পৰা গালি শপনি খাই আতৰি আহি আন এঘৰত সোমাল। ধনী পৰিয়াল। সুনীতিয়ে ধান বানিবৰ মনেৰে গৃহস্থৰ ওচৰত নিজৰ দুখৰ কথা বৰ্ণনা কৰিলে। খুজিলে কোনেও নিদিয়ে বাবে তাই এতিয়া কাম কৰি হলেও এমুঠি পোৱাৰ আশাত উদ্যত হ'ল। নহলে যে তাই আজি শুদা হাতে ঘৰলৈ ঘূৰি গৈ লৰা ছোৱালীৰ ক্ষুধাতুৰ ম্লান পৰা মুখবোৰ চাব নোৱাৰিব। বেলি প্ৰায় ডুবো ডুবো অৱস্থা। ধান বনা এতিয়াও শেষ হোৱা নাই। এনেয়ে দুৰ্ব্বল শৰীৰ। তাই অৱশ হৈ পৰিল। নোৱাৰে। তাই মাটিত বহি পৰিল। তথাপিও নিষ্ঠুৰ মহাজনে অকণো চকু নুঘুৰালে। চিন্তা কৰি নাচালে তাইৰ বিষয়ে এবাৰো। তাই মহাজনী বুঢ়ীক কৰুণ সুৰে কলে, "মোক বিদায় দিয়া মা মই কালিৰ পৰা একো খোৱা নাই। মোৰ লৰা ছোৱালী এজাক আছে। দিনটো লঘোনতে গ'ল। বেচেৰাহঁতে বা মোলৈ কিমান বাট চাই আছে। মোক অনতিপলমে বিদায় দিয়া মা !!"

তাইৰ কৰুণ মিনতিত পৰিয়েই কষ্টৰ বিনিময়ত প্ৰদান কৰিলে এমুঠি চাউল। বুঢ়ীক সেৱা কৰি সুনীতি ওলাই আহিল।

এতিয়া এন্ধাৰ হৈছে। লাহে লাহে জগত নিতাল হৈ আহিছে। ৰাস্তাৰ দুয়োকাষে বননি। পৰ্ব্বতৰ দুই শিলৰ মাজৰ এটি ঠেক ৰাস্তা। তাই অকলে চাউল মুঠিৰে সৈতে ঘৰ অভিমুখে তাৰাতাৰি কৈ খোজ লৈছে। নিজৰ কথা বাদ দি লৰা ছোৱালী জাকৰ বিষয় চিন্তা কৰি গৈ আছে। কিন্তু নিষ্ঠুৰ বিধাতাই তাইৰ এই সুখো সহ্য কৰিব নোৱাৰিলে। ঘৰ আহি দেখিলে এজাক মতা মাইকী মানুহে ঘৰ চোতাল ভৰি আছে। আৰু নিজৰ লৰা ছোৱালী কেইটি কান্দোনৰ ৰোল তুলিছে। তাই অবাক অপলক দৃষ্টিৰে শিলাস্তম্ভৰ দৰে থিয় হৈ ৰ'ল।

তাইৰ কাণত এটি মাত্ৰ কথাই বাৰে বাৰে প্ৰতিধ্বনিত হ'ল "সেয়া বনমলে আত্মহত্যা কৰিলে...।"



# গোপন চিঠি

শ্ৰীঅমূল্য ৰায়
প্ৰথম বাৰ্ষিক (কলা)

প্ৰিয় বিশ্বু,

লিপিকাৰ পাতনিতে মোৰ দুৰ্ব্বলীবটীয়া অন্তৰৰ সাঁচতীয়া হেজাৰ মৰম আৰু অযুত ভাল পোৱা সৰ্ম্ময়ৰ এপোল'ৰে স্নুবা ডাক পখিলাৰ হাতত প্ৰেৰণ কৰিলো। পালে তোমাৰ সেই সৰল দৰদী অন্তৰেৰে গ্ৰহণ কৰিবা নিশ্চয়। ভায়া, তুমি মই অভিন্ন। তুমি গাৱঁত আছা বুলি আৰু মই চহৰত আছো বুলিয়েই আমি অন্য আকাশ অন্য তৰা হৈ যোৱা নাই। তোমাৰ মূৰৰ ওপৰৰ নীলা আকাশখন মোৰ মূৰৰ ওপৰৰ নীলা আকাশ; তোমাৰ ভৰিৰ তলৰ সেউজীয়া পৃথিৱীখনেই মোৰো ভৰিৰ তলৰ সেউজীয়া পৃথিৱী। মনত পৰেনে ভায়া তাহানিৰ লৰা ধেমালিবোৰ। সেইবোৰ অনেক কথা। আজি হয়তো সাধু কথা হ'ল। মুঠতে তুমি মই দুটি ভিন্ন দিশী কপৌ হলেও আমাৰ বন্ধুত্বৰ প্ৰীতিৰ এনাজৰি ডাল আজীৱন কটকটীয়া হৈয়ে থাকিব। তুমি মই হয়তো কোনো দিনেই আঁতৰি থাকিব নোৱাৰিম।

ভায়া, বৰ্ত্তমান মোৰ শাৰীৰিক, মানসিক ইমান ভাল নহয় যদিও চলি আছো কোনোমতে। তোমাৰ ভাষাত কৰ লাগিলে বজাৰ দৰত। পঢ়া-শুনাও মোটা মুটি ভাবে চলি আছে। ভাই বন্ধু, আত্মীয় স্বজনৰ পৰাও খা-খবৰ চিঠিপত্ৰ পাই আছো। অহা পুজাৰ বন্ধত মাজনীয়ে মাতিছে। তাইৰ যে কথা আমন্ত্ৰণ কৰিছে বুজিছা। সেইবোৰ পিচত জনাম বাৰু।

আজিলৈ বাকীবোৰ খবৰ বাতৰি এৰিলো। আজি তোমালৈ এটা বিশেষ খবৰ পঠালো। পিচে তুমি একো ভয় নাখাবা। খবৰটো ঠিক সংবাদ নহয় দায়িত্বও নহয়।। তুমি পাৰিবা বুলিয়েই গুৰুত্ব দিয়া হ'ল। তোমাৰ ওপৰত মোৰ অধিক বিশ্বাস আছে। পিচে কথা হ'ল কামটো অত্যন্ত জৰুৰী, অধিক গুৰুত্বপূৰ্ণ আৰু একেবাৰে গোপনীয়, চাবা যদি কেনেবাকৈ কোনোবাই গম পায় তেন্তে তোমাৰ একো নহলেও মোৰ নাক যাব। মান সন্মান সকলো যাব। তুমি কথাটো জাহিৰ নকৰা বুলি মোৰ দৃঢ় বিশ্বাস।

তোমাক আদেশ কৰাটো ঠিক নহয়; অনুৰোধ কৰাটোও সমীচীন নহয় আৰু দাবী কৰাটোও উচিত নহয়। সেয়ে তোমাক আদেশ অনুৰোধ আৰু দাবী একো নকৰো; মাত্ৰ তুমি মোৰ সমস্যালৈ এবাৰ গমি চাবা।

এতিয়া আচল কথালৈ আহো। এইবেলি আমাৰ নেহৰু কলেজৰ পৰা 'জহৰ জ্যোতি' নামৰ এখন আলোচনী উলিয়াবলৈ যো-জা কৰিছে। যোৱা কালি জাননী পালো ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকৰ পৰা গল্প, কবিতা, প্ৰবন্ধ, নাটক, উপন্যাস আদি ৰচনাপাতি লাগে। শুনি অৱশ্যে মোৰ ভাল লাগিল। পিচে কি জানাইতো। তোমাৰ বন্ধু ৰাহিৰা অভিজ্ঞতাত কিমান পকা। কেৱল ভাটো চৰাইৰ দৰে পঢ়াহে মুখস্থ কৰিছো; পৰীক্ষা দিছো; পাছ কৰিছো; ডিগ্ৰী পাইছো বেচ ইমানেই। জানিছো কিতো ? গল্প; চুটি গল্পৰ বিষয়ে সূত্ৰ মহাসূত্ৰ পঢ়িছো। কবিতাৰ বিষয়ে ছন্দ অলঙ্কাৰৰ বিচাৰ কৰিছো; প্ৰবন্ধ নাটকৰ বিষয়ে আলোচনা সমালোচনা কৰিছো; কিন্তু সেই বুলি জানো লিখিব পাৰিছো ? বৰ পৰিতাপৰ কথা ভায়া। কেতিয়াবা ভাবিলে আচৰিত যেন লাগে। পাঠ্যৰ বাহিৰে কোনো কথাকেইতো কৰ নোৱাৰো। কথাটো মিছা যেন লাগিলেও সঁচা; সিদিনা ৰমণী দাদাৰ গৰু বিক্ৰী কৰা ৰচিদখনকো ভালদৰে লিখিব নোৱাৰিলো। বিপিন

নাইবে ইমান সুৰলা ভাষাৰে ধুনীয়াকৈ লিখিলে। সিদিনা মোৰ খুব লাজ লাগিছিল।

কেতিয়াবা গল্প কবিতা প্ৰবন্ধ কিবা এটা লিখো বুলি কাগজ কলম লৈ বহো। ভাবো আকাশ পাতাল ; কিন্তু শেষত আকাশৰ সীমা আৰু পাতালৰ আকাৰ নোহোৱাৰ দৰেই হয়। আৰু তেতিয়া ভাবো তোমাৰ কথা। তুমিতো যি ক্লাচ নাইনতেই স্কুল বাদ দিলা। আমাৰ দৰে সূত্ৰ মহাসূত্ৰ তুমি মুখস্থ কৰা নাই ; গভীৰ অধ্যয়নো কৰা নাই। তথাপি তুমি দেখোন সুন্দৰ সুন্দৰ গল্প কবিতা লিখিব পাৰা। ভাবি আৰ্চৰিত। কেনেকৈনো তুমি ইমান সুৰলা প্ৰাঞ্জল ভাষাৰে ধুনীয়া গভীৰ দাৰ্শনিক ভাৱৰ গল্প কবিতা লিখিব পাৰা কোনে বাৰু তোমাক সহাৰি যোগায়। কিহে বাৰু তোমাক প্ৰেৰণা যোগায়। যোৱা বেলি বিহু সংখ্যাত ৰচনা লিখি তুমি প্ৰথম পুৰস্কাৰ পালা। 'অসম বাণীত' প্ৰকাশিত তোমাৰ এখন চিঠি "সদৌ পৃথিবীৰ মানুহবোৰলৈ" বুলি লিখা তোমাৰ কবিতাটোৱে বিশেষ সমাদৰ লাভ কৰিছে। যোৱা বেলিৰ সদৌ অসম এচোচিয়েশ্যনত তোমাৰ "নিলিখা গল্পৰ নাম" নামৰ গল্পটোৱে প্ৰথম স্থান অধিকাৰ কৰিছে।

কোনে কি বুলি ভাবে কব নোৱাৰো। চেষ্টাৰ অসাধ্য নাই। পিচে 'A poet is born but not made' কথাষাৰ সত্য। অৱশ্যে কথাষাৰ কেৱল কবিৰ ক্ষেত্ৰতেই নহয় সকলো সাহিত্যিকৰ ক্ষেত্ৰতেই প্ৰযোজ্য। তোমাক অশেষ ধন্যবাদ দেই।

আগতেই কৈছো তোমাক আদেশ, অনুৰোধ, দাবী একো নকৰো। অকমান আমনি কৰাৰ বাবে ক্ষমাও নিবিচাৰো। সেয়া তোমাৰ বন্ধুত্বৰ দাবী। মুঠতে মই তোমাৰ পৰা এটা গল্প বিচাৰো। কবিতা দিবলৈ ইচ্ছা নাই। বৰ্ত্তমান যুগত আলোচনী, বাতৰি যতেই নপঢ়ক কিয় কবিতাৰ সংখ্যাই সৰহ। কোৱা বাহুল্য বৰ্ত্তমান যুগত বিশেষ কিবা কবিতা লিখা ধাউতি আধুনিক সাহিত্যিক প্ৰচাৰৰ আকৌ বৰ বেচি হৈছে অ' সেই বুলি কবিতাক নুই কৰিব নোৱাৰি ; কবিতা কুমাৰীক মই ভাল নেপাও বুলি ধৰি ললে ভুল হব ; ভুলেই নহয় অন্যায় হব ; পিচে পেনপেনীয়া প্ৰেমৰ কবিতাই মানুহৰ দুখ দুৰ্দ্দশাগ্ৰস্ত মনক আৰু কিবা মৰ্মস্পৰ্শী কৰি থকাসৰকাহে কৰে। সেয়ে, ভাবিছো যদি কেতিয়াবা সাহিত্যিক হওঁ তেন্তে গল্পহে লিখিম অ' তুমি শুধিবা নাটক উপন্যাস নিলিখো কিয় ? ক্ৰেদিট আছে। ধ্যেৎ তাকো লিখোনে ? সেইবোৰত কিবা ডেকা গাভৰুৰ পেনপেনীয়া প্ৰেমৰ কথাই বেচি। আকৌ শুধিব পাৰা গল্পত জানো প্ৰেমৰ কথা নাই। আছে পিচে গল্পত প্ৰেমৰ বিষয়ে অলপ বেলেগ ধৰণে কব পাৰি। যিয়ে নহওক এইবোৰ কথা কৈও অন্ত নাই। অ' মই তোমাৰ পৰা এটা গল্প খুজি আজি আমাৰ আলোচনীত প্ৰকাশ কৰিলেও তোমাৰ Cracit নাই বুলি নাভাবিবা। জ্ঞান তোমাৰ, সুনাম হে মোৰ।

তুমি হয়তো মোক কব পাৰা যে লোকৰ পৰা গল্প কবিতা লিখি প্ৰকাশ কৰি নিজ সুনাম অৰ্জ্জন কৰাতকৈ নীৰৱে আনৰ গল্প কবিতা পাঠ কৰাই শ্ৰেয়। কথাটো হওঁতে মিছা নহয়। পিচে কেতিয়াবা জীৱনটোলৈ ভাবি বেয়া লাগে। আমি পৃথিবীলৈ আহিছো, গৈছো। পৃথিবীয়ে আমাক জন্ম দিলে ; আহাৰ দিলে। পিচে, আমি পৃথিবীক দিলো কি ? ভাল কামৰ আহি দেখুৱাব নোৱাৰো সঁচা। পিচে কিতাপৰ বিদ্যা শিকিছো যেতিয়া মনৰ দুখৰ কথা কিতাপতে লিখি থব নোৱাৰিম জানো ? সেয়ে, ভাবিছো নিজে নোৱাৰিলেও আনৰ পৰা হলেও পৃথিবীক কৈ যাম-- বৰ্ত্তমান দেখোন এনেকুৱা এটা চখেই হৈছে। ককায়েকৰ গল্প কবিতা ভায়েক-ভনীয়েকে নিজৰ নামত প্ৰকাশ কৰে। গিৰিয়েকৰ ৰচনা ঘৈনীয়েকৰ নামত প্ৰকাশ কৰে। আৰু এনে এক শ্ৰেণীৰ সাহিত্যিক আছে যি কেৱল আনৰ লিখনি কিছু মূল্য দি নিজৰ নামত প্ৰকাশ কৰি ডাঙৰ সাহিত্যিক বোলায়। ইয়াৰ ফলত কি হৈছে নহৈছে তুমি মোতকৈ জানা বেচি। ভাবি চোৱা এই যুগত কি হব ধৰা নাই। গতিক এয়া জানো অন্যায় ?

মুঠতে বুজিছা ভায়া স্বৰূপতে কব গলে মোৰ বৰ বেয়া লাগে মানে লাজো লাগে। কলেজ আলোচনীৰ পাত লুটিয়াই চালে অইন অইন লৰা-ছোৱালীৰ নামত গল্প, কবিতা, প্ৰবন্ধ, ৰচনা, নাটক, উপন্যাস আদি আছে।

অধিক সংখ্যক লৰাই নজনা, কোনেদিনে নাম নুশুনা ; পঢ়াত বেয়া লৰা ছোৱালীয়ো গভীৰ ৰচনা, সমালোচনা লিখে। নাম কৰে। বাঃ বাঃ পায়। সমাদৰ পায় ; কিন্তু সৰহ সংখ্যক লৰাৰ মাজতে খ্যাতি থকা , চিনাকী, মাতবোল থকা ; কথাৰে জনপ্ৰিয়তা থকা অথচ মোৰ একোৱেই নাই। পঢ়াত ভাল ছাত্ৰ বুলি প্ৰফেচাৰ সকলৰ মাজতো মোৰ সুনাম আছে । কিন্তু খেলা ধূলা ইত্যাদি বাহিৰা অভিজ্ঞতা মোৰ নাই। কেতিয়াবা কোনোৱা বন্ধুই কিবা সুধিলে মোৰ লাজ লাগে সঁচা ; কিন্তু আনক কেতিয়াও হীন ভাৱ নেদেখুৱাই ঠোৰতে কওঁ : এই বোৰত লিখি কি হব নো ? এইবাৰ এলাইন আল্পাচৰ দৰে দীঘল, আমাজানৰ দৰে বহল, এভাৰেষ্টৰ দৰে সুউচ্চ আৰু প্ৰশান্তৰ দৰে গভীৰ ভাৱৰ আধুনিক সাহিত্যৰ সমালোচনা মূলক প্ৰৱন্ধ ইংৰাজীতহে লিখিৰ ধৰিছো। মোৰ কথা শুনি বন্ধুজন যায়। পিচ মুহূৰ্ত্ততে ভাবো আচলতে মই এইবোৰ নিলিখা গানৰ স্বৰলিপিহে আওঁৰাইছো। বন্ধু-বান্ধৱীৰ আগত মই নিজকে লুকাই থওঁ। কাৰণ উপায় নাই । Selectionত থকা প্ৰতিটো পাঠ্যৰেই Note মুখস্থ কৰি সমালোচনা কৰিব পাৰো ; কিন্তু বন্ধু-বান্ধৱে চাৰ দিয়া নাইবা Magazine বাতৰিত দিয়া গল্প কবিতাৰ বিষয়ে কৰ দিলে মোৰ ফালে আধ্যা পাৰে। এবাৰ Collegeৰ Debetingৰ বিষয় আছিল "বৰ্ত্তমান আধুনিক কবিতাৰ ধাৰা।" অংশ মোৰ আছিল । পিচে উপায় নেপাই যথা সময়ত কলেজলৈ নগলো । এইদৰেনো নিজকে কিমান দিন লুকাম। এদিন হয়তো ধৰা পৰিব লাগিব , তেতিয়া লাজত পৰিব লাগিব । আত্মমৰ্যদা হানি হব। লোকে হাঁহিব । নপতা ফুকন হবলৈ লাজ লাগে । তুমি কবা তেন্তে চেষ্টা নকৰা কিয় ? কৰো। কেতিয়াবা মাজ ৰাতিও কিবা ভাল ভাৱ আহিলে লেম্পটো জ্বলাই ঘপহ, কৰি লিখি থওঁ । পিচদিনা অনেক চেষ্টা কৰি পূৰা কৰিবলৈ যত্ন কৰো। মাজ ৰাতিৰ ভাৱবোৰে কিবা পৰ্ব্বত কন্দৰত ঠেকা খাই হ্ৰদৰ পাৰত আহি ভাবে : জানোচা সাঁতুৰিব নোৱাৰিম একা। ফলত সেই বোৰত বাদাম বেপাৰীয়ে বাদাম বান্ধি সৰু লৰা ছোৱালীক বিলাই দিয়ে। তাৰে এটুকুৰা মই পালে কোনোবাই দেখে বুলি লৰালৰিকৈ পেলাই দিওঁ ।

সিদিনা সম্পাদকে মোক জোৰকৈ ধৰিছে। এইবাৰ কিবা এটা দিবই লাগিব হেনো। মানে এইবাৰ Electionত তেখেতৰ হৈ বৰকৈ খাটিছিলোতো । সেই খাতিৰতে তেওঁ বিশেষ ভাবে জনাইছে । সিদিনা মিচেও কৈছে। তাই হেনো মোৰ পৰা কিবা এপদ আলোচনীত পঢ়িবলৈ বিচাৰে। মইয়ো দিম বুলি কৈছো। সঁচাই ভাবিছোও নিশ্চয় কিবা এটা দিম। পিচে দিম কি ? ভাবো কিবা কিবি বহুত। কাগজ কলম ললে সেই ভাৱ ভাষাবোৰ হৈ পৰে উকা। বাটত শিল ভাঙা বনুৱাৰ দৰে মইয়ো হৈ পৰো ভাবাক্ৰান্ত । কিবা এটা লিখো বুলি কেবা দিনো ভাবিলো । নোৱাৰিলো । অৱশেষত তোমাকে কিছু আমনি কৰো বুলি ভাবিলো। চাৱা পিচে "ভাৱ কথা নহয় সিদ্ধি ; বাটত আছে কনা বিধি"ৰ দৰে নকৰিবা একা। সময়ত নাপালে কিন্তু মোৰ ভাল নালাগিব । মানে খুব লাজত পৰিব লাগিবতো ।

সদৌ শেষত চিঠিখন সামৰো । পিচে, তুমি লিখি নপঠাবা তোমাৰ সেই "কটি এটুকুৰা" নামৰ গল্পটি। তুমিও যে আৰু । কিনো কটি এটুকুৰা। ধ্যেৎ আজিকালি তেনে গল্প লিখেনে কোনোবায় । তোমাৰ সেইটো গল্প পঢ়িলে মোৰ কিবা হাঁহি উঠি যায়। একো হোৱা নাই। বুজিছা । কিয় ? ভাল গভীৰ গম্ভীৰ দাৰ্শনিক ধৰণৰ কোনেও বুজি নোপোৱা গল্প নিলিখা কিয় ? তোমাৰ শুকান 'কটি এটুকুৰা' খাই কাৰ পেটৰ ভোক গুচিব নো ? সোৱাদ পাব বাৰু ?

—কটি এটুকুৰা। তুমি লিখিছা :

এটুকুৰা শুকান কটি ।

এগৰাকী ভদ্ৰ মহিলা । এজনী মেকুৰী । এটা কুকুৰ । আৰু এজন ভিক্ষাৰী ।

এদিন ভদ্ৰ মহিলা গৰাকীয়ে এজনী বান্ধৱীৰ নিমন্ত্ৰণ খাবলৈ গল। আচলতে মহিলা গৰাকীয়ে নিমন্ত্ৰণ খাবলৈ যোৱা নাই। আন এজনী বান্ধৱীৰ তালৈ যাওঁতে এনেয়ে এপাক সোমাই গল। জীয়েক চন্দ্ৰা আৰু সৰুটো পুতেক প্ৰদীপো মাকৰ লগতে গল।

ভদ্ৰ মহিলা গৰাকীৰ গিৰিয়েক উকিল। আনফালে বান্ধৱীৰ গিৰিয়েকজন এজন সাধাৰণ কেৰাণী। অৱশ্যে উকিলনী আৰু কেৰাণীৰ পৰিবাৰৰ চিনাকী সৰুৰে পৰা। বান্ধৱী গৰাকীয়ে কেবা দিনো গৈছে

উকিলনী হঁতৰ ঘৰলৈ। বান্ধৱীয়ে উকিলনীয়নীক নিমন্ত্ৰণ খাবলৈ কেবা দিনো মাতে আছে পিচে যাবহে পৰা নাই। যাব পৰা নাই সময়ৰ অভাৱত এনে নহয় যোৱা নাই ইচ্ছা আৰু অৱজ্ঞা কৰি। সেই দিনা হঠাৎ এনেয়ে উকিলনীয়ে গৈ ওলাল বান্ধৱীৰ ভাৰা ঘৰত।

ভাল বেয়াৰ দুযাৰ কথা বতৰা পাতি এবাৰ বান্ধৱী গল পাকঘৰলৈ। বহুদিনৰ মূৰত বান্ধৱী গৰাকী আহিছে। কিনো দিব। কিনো খাব। ইপিনে একোৱেই নাই। ইফালে মাহৰো শেষ। তাৰোপৰি দহদিনৰ ছুটীলৈ গিৰিয়েক গৈছে গাৱঁৰ ঘৰলৈ। সাধাৰণ কেৰাণী এজনৰ ঘৈনীয়েক। আছেই বা কিটো। বহুত কিবা কিবি ভাবি অৱশেষত বান্ধৱীক অভ্যৰ্থনা কৰিবলৈ শুকান ৰুটি দুখন মানকে বনালে।

....পাকঘৰত বান্ধীৱৰ লৰা-ছোৱালী তিনিটাই ৰুটিৰ কাৰণে দৰৱা-দৰবি কৰা ভদ্ৰমহিলাই আঁতৰৰ পৰাই চাই আছিল। ভদ্ৰ মহিলা গৰাকীয়ে হয়তো ভাবিছিল : 'ইহঁত বৰ খকুৱা। ভাল বস্তু ক'ত খাব পায়, শুকান ৰুটিৰ বাবেই ইহঁতৰ কাজিয়া।

কিছু সময়ৰ পাচত শুকান ৰুটি আৰু ৰঙা চাহ বান্ধৱীয়ে ভদ্ৰমহিলা গৰাকীলৈ আগবঢ়ালে। ভদ্ৰমহিলা গৰাকীয়ে নানা আজুহাত দেখুৱাই চাহ নেখাও বুলি কলে; কিন্তু লৰা-ছোৱালী হালক হলে দিয়া হ'ল। এখন ৰুটিকে ভগাই দিও বুলি ভদ্ৰমহিলা গৰাকীয়ে বাকীবোৰ ফিৰাই দিলে। পুতেকে ৰুটিখন ভাগিবলৈ নিদিয়ে। গোটেইখনকেই তাক লাগে। তথাপি ভদ্ৰ মহিলা গৰাকীয়ে ৰুটিখন ভাঙি এটুকুৰা জীয়েকক আৰু এটুকুৰা তাক দিলে। লৰাটোৰ খং উঠি ৰুটি-টুকুৰা মজিয়ালৈ দলি মাৰি দিলে।

ওচৰতে চাই থকা মেকুৰীজনীয়ে তৎক্ষণাৎ ৰুটি টুকুৰা চোতাললৈ গৈ গ'ল; কিন্তু চোতালত খোপ দি থকা কুকুৰটোৱে ৰুটিটুকুৰা মেকুৰী জনীৰ পৰা কাঢ়ি লৈ বাটলৈ লৈ যাব ধৰোতেই পদূলীতে ভিক্ষাৰ বাবে বৈ থকা ভিক্ষাৰীজনে হাতত থকা লাখুটি ডালেৰে কুকুৰটোক কোবাই ৰুটি টুকুৰা লৈ গৈ নিজে খালে।'

এইটোনো গল্প হব পাৰেনে ? ইমান সহজ, ইমান সৰল, এইবোৰ গল্পই আজিৰ যুগত কাৰো মগজত গভীৰ ভাবে ৰেখা পাত কৰিব নোৱাৰে। যিয়ে নহওঁক তুমি অনতি পলমে মোৰ বাবে গল্পটো লিখি পঠাবা। যাতে পঢ়ি কোনেও একো বুজি নাপায়। দাত ভঙা শব্দবোৰ বাৰু মইয়ে দিম'

প্ৰীতিৰে ইতি—
তোৰ 'বন্ধু'।



# নিৰুপায়

শ্ৰীনবীন বড়ো
২য় বাৰ্ষিক কলা

ঘৰৰ পৰা চহৰলৈ আহিয়েই সুৰভিলৈ গল্প এটি লিখি পঠিয়াম বুলি কথা দি আহিছিলো। কথাষাৰ খুব সহজ ভাবেই কৈ আহিলো যদিও গল্প লিখাটো মোৰ বাবে সিমান উজু হৈ থকা নাই। আজি কিছুদিন ধৰি দিনটোৰ পৰিশ্ৰমৰ পিছত যেতিয়াই অকণমান আজৰি পাইছো তেতিয়াই গল্প এটা লিখাৰ কথা ভাবিছো আজিও তাকেই ভাবিছো।

তেতিয়া আবেলি চাৰে চাৰি বাজিছে। দিনটোৰ কৰ্ম্মপৰ্ব্ব শেষ কৰি বাৰান্দাৰ একোণত চকি এখন লৈ বহি পৰিছোঁ। মোৰ লক্ষ্য বান্ধনী ঘৰৰ আগফালৰ চালখনত; কিয়নো সেয়া আমাৰ থকা ঘৰৰ সন্মুখত অৱস্থিত। এই সময়ৰ ভিতৰতে এটা ঘটনা ঘটি গ'ল। ঘটনাটো প্ৰথমে আনন্দৰে আৰম্ভ হৈ শেষত শোকাবহ পৰিণতিৰে পৰিসমাপ্তি ঘটিল।

চিবিক! চিবিক! চিবিক!!!

শেষৰ শব্দটো তীব্ৰভাবে ওলাই অহা হেতুকে মই সচেতন হলো। দেখিলোঁ যে বান্ধনী ঘৰৰ দক্ষিণ ফালৰ চালৰ শেষৰ কোণৰ পৰা এজোৰ ঘনচিৰিকা মাটিত টুপুচকৈ পৰিছে। লগে লগে দুয়োটাই চিঞৰ-বাখৰ কৰি এক খণ্ডযুদ্ধ আৰম্ভ কৰি দিলে। দুয়োটাই ঠেঙেৰে জোট লগাই দিলে। ঠোটেৰে আচুৰি মতা ঘনচিৰিকা-টোৱে মাইকীজনীক শাস্তি দিলে। সিহঁতৰ খণ্ড যুদ্ধখন দেখি মই বেচ আমোদ পালোঁ। সেই মুহূৰ্ত্তলৈকে সিহঁতৰ খণ্ডযুদ্ধ হৈয়েই থাকিল যেতিয়ালৈকে বোন্দা মেকুৰীটো আহি উপস্থিত হোৱা নাছিল।

সম্ভৱ বোন্দাই সিহঁতৰ চিঞৰ-বাখৰ শুনি সেই পিনেই ঢাপলি মেলি আহি সিহঁত দুয়োটাৰে কাজিয়া লগা দৃশ্যটো চাই আছিল। শেষত সুযোগ পাই সিহঁতৰ ওপৰত জপিয়াই পৰিল। ততালিকে মাইকীজনীয়ে তাৰ পৰা উৰি চালৰ মুধত পৰিল। আৰু মতাটো? একে ছাৰতে বোন্দাই তাক ধৰিবলৈ সুবিধা পালে; কাৰণ মতাটোৱে তাইক পেলাই থৈ উৰি যাব বিচাৰোতে আগতে তাকেহে বোন্দাই লগ পালে। বোন্দাৰ মুখত মতা ঘনচিৰিকাটো দেখি মোৰ বুকুখন চিৰিংকৈ উঠিল। বোন্দাই মোৰ ফালে বীৰত্বসূচক দৃষ্টি নিক্ষেপ কৰি মোৰ আগেৰে পাৰ হৈ বাৰীৰ পশ্চিম দিশলৈ ঢাপলি মেলিলে। হঠাতে দেখিলো বান্ধনি লবাটোৱে হাতত এডাল ফৰ্মূতি লৈ মোৰ ওচৰলৈ অহা। আনপিনে মাইকীজনীয়ে চিঞৰত মহাশূন্যৰ বুকুত ক্ৰন্দন ধ্বনি তুলি দিছে। তাইৰ গগণ ফলা চিঞৰত আকৌ তিনিটামান ঘনচিৰিকা আহি চিঞৰৰ মাত্ৰা বঢ়াই দিলে। এই উশৃঙ্খল শব্দৰ ধ্বনিক ভেদ কৰি অহা আৰু এটা বাক্য শুনিবলৈ পালোঁ। "এতিয়াই এই ফৰ্মুতিৰে দুয়োৰে ভবলীলা শেষ কৰিছিলোহেঁতেন। ইহঁতৰ ইমান অতপালি হৈছে।" ক্ষন্তেক সময়ৰ পিছত সকলোবোৰ দৃশ্যৰূপ নাইকীয়া হ'ল আৰু লগতে নোহোৱা হ'ল শব্দধ্বনি তাই নিশ্চয় নিজৰ ভাগ্যক ধিয়াই দিগবলয়ত উৰা মাৰিছিল।

সকলোবোৰ শাঁত পৰিলেও মোৰ মন শাঁত পৰা নাছিল। চৰাইজনীৰ হিয়াভগা কৰুণ কান্দোনত মোৰ অন্তৰ একেবাৰে বেজাৰেৰে ঢাক খাই পৰিল। মই দৰ্শক ৰূপে এই সকলোবোৰ দৃশ্য চাই থাকিলো। প্ৰতিকাৰৰ কোনো উপায় মোৰ দ্বাৰা ভৰা নহল। প্ৰকৃতিৰ নিষ্ঠুৰ বৰ্ব্বৰতাৰ দৃশ্যকে চাই আকৌ ভাৱ সাগৰত বুৰ মাৰিলোঁ।

ভগৱানৰ সুন্দৰ সৃষ্টিত কিয় এনে বৰ্ব্বৰতাৰ কলা কৌশল পৰিদৃশ্যমান। বৰ্ত্তমান এই বৰ্ব্বৰতাক বোধ কৰিব পৰা কোনো শক্তি এই পৃথিৱীত নাই নেকি? আমি হিংসাৰ ভাৱ এৰিব নোৱাৰিম নেকি? ভাবি পাব নেপালো।

দূৰত এটি গান শুনি মোৰ মনে সেইদিনেই গতি কৰিলে। গানটো সম্ভৱ কেইজনমান ডেকা-গাভৰুৱে সমবেত হৈ গাইছিল। সেই গানৰ প্ৰথম কাঁকি মোৰ কাণত এতিয়াও বাজি আছে।

হিংসাৰ চিক্‌মিক্‌
চোকা তৰোৱাল
তাক পিটি গঢ়ো আমি
নাঙলৰ ফাল............।

গানটো ইমান শ্ৰুতিমধুৰ হৈছিল যেন গানটো শুনিয়েই থাকিম। গানটোৱে মোক আকৌ ভবাই তুলিলে। এক শ্ৰেণীৰ লোকে হিংসাৰ প্ৰতীকবোৰ ধ্বংস কৰিব ওলাইছে? হিংসাৰ প্ৰবৃত্তি এৰি অহিংসাৰ পথত অগ্ৰসৰ হবলৈ আহ্বান জনাইছে। আমি তেন্তে আশা কৰিব পাৰো যে ক্ষুদ্ৰ জীৱৰ সতে মহান মানৱ জীৱনৰ সম্বন্ধ উন্নতিৰ পথলৈ আহিব।

কিন্তু এয়া মই অলপ আগতে কি কাণ্ড দেখিলোঁ? জীৱ শ্ৰেষ্ঠ মানুহ হৈ মোন্দাৰ মুখৰ পৰা ঘনচিৰিকা চৰাইটোক ৰক্ষা কৰিব নোৱাৰিলো। নোৱাৰা নহয়; মই কোনো চেষ্টাই নকৰিলোঁ। অলপ আগতে বান্ধনি লৰাটোৱে সিহঁতৰ ভৱলীলা শেষ কৰাৰ কথা ভাবিছিল। মোৰ ভাবৰ খেলি মেলি লাগি গ'ল। মই সচেতন হোৱা হেঁতেন ঘন চিৰিকাৰ জীৱনটো হয়তো ৰক্ষা পৰিল হেঁতেন। আৰু এনেওতো হব পাৰে চৰাইটোৰ সেই মুহূৰ্ত্তত মৃত্যু অনিবাৰ্য্য আৰু সেয়েই কোনো এক নিষ্ঠুৰতাখিনিক মোৰ নিজৰে নিষ্ঠুৰতা যেন লাগিল। যদিও, মৃত্যুত আমাৰ হাত নাই এনে এষাৰ কথাৰে নিজক আশ্বস্ত কৰিবলৈ চেষ্টা কৰিলো। এনে পৰিস্থিতিত সুৰভিলৈ আজিও গল্প লিখিব নোৱাৰিম।



# চাকৰ

[ একাঙ্কিকা নাট ]

শ্রীঅমৃত চন্দ্র কলিতা
প্ৰাক্ বিশ্ববিদ্যালয়

## চৰিত্ৰ পৰিচয়—

| | |
|---|---|
| ৰমেশ দত্ত | নতুন উকীল। |
| বিপুল | ৰমেশৰ সৰু ভাই। |
| জীৱন বৰা | ৰমেশৰ বন্ধু। |
| দীপক | বিপুলৰ বন্ধু। |
| ধনেশ্বৰ | চাকৰ |
| | ভিক্ষাৰী। |

[দত্তৰ ঘৰৰ ড্ৰয়িংৰুম। আধুনিক ধৰণে সজোৱা। বাহিৰত চাইকেলৰ বেল শুনা যায়। আৰু কাপোৰ উঠাৰ লগে লগে বিপুলক চোলাৰ বুটাম মাৰি মাৰি অহা দেখা যায়।]

বিপুল—(বাহিৰলৈ চাই) অ' দীপক নেকি ? আহ ভিতৰলৈ আহ।

দীপক—আৰে, তই ওলোৱাই নাই দেখোন। বল বল দেৰি হৈ যাব। সিহঁতে আকৌ বাট চাই থাকিব নহয়।

বিপুল—বহচোন। অলপ ধীৰে ধীৰে......(দীপক বহে)

দীপক—জান বিপুল। ফিল্মখন বৰ Appealing হৈছে। আধুনিক যুগৰ মনৰ খোৰাক যোগাব পৰা এটা যে ডেন্স আছে, বুইছ ....মানে....

বিপুল—মানে ? (ব্যঙ্গ কৰি)

দীপক—মানে মন প্ৰাণ হৰি নিয়া Very Charmful.... বুইচ। Actually হিন্দী ফিল্মৰ বাহাদুৰী সেই খিনিতে। যাওক না পইছা।

বিপুল—মোৰ কিন্তু এইবোৰ ভাল নেলাগে দেই। দেখাত আমি আকৰ্ষিত হওঁ সঁচা ; কিন্তু অলপ চিন্তা কৰিলেই দেখা যায় সেইবোৰ অবাস্তৱ। আচলতে মালিকবোৰে ব্যৱসায়ী বুদ্ধিৰে কিছুমান অদ্ভুদ দৃশ্যৰ সৃষ্টি কৰে। দেখাত আদৰ্শমূলক দুই এটা কথা যোগ দিয়ে সঁচা কিন্তু লক্ষ্য......(হাতেৰে টকাৰ ইঙ্গিত)

দীপক—যিয়েই হওক, তই এটা কথা স্বীকাৰ কৰিবই লাগিব যে হিন্দী ফিল্মত Cent percent interest পোৱা যায়। হিন্দী গীতৰ 'মিউজিক'ৰ কি বাহাৰ। মোক পাগল কৰি দিয়ে ভাই।

বিপুল—তাৰ মানে তই অসমীয়া গীত মুঠেই ভাল নেপাৱ নেকি ?

দীপক—ধেৎ। অসমীয়া তই কি ৰস পাবি। যিহে পুৰণি কলীয়া সা—ৰে—গা—মা টানিব।

বিপুল—মই এইসব বুজি নেপাওঁ। তহঁতৰ লগত পৰি চাওঁহে আচলতে মনত একো নেলাগে। মানে বাইজৰ লগত নমবিলেও চকু মুদি দিওঁ।

দীপক—আৰে তোৰ দিল বৰ কঠিন নেকি অ' ?

বিপুল—নাজানো।

দীপক—খালি খালি। তই আমাৰ ইজ্জত খেদালি বুইছো। হেৰ কলেজ ষ্টুডেণ্ট হৈ হিন্দী ফিল্মৰ টেষ্ট লব পৰা হোৱা নাই বুলি আজিহে বুজিলোঁ। এই শুন তই যদি 'চচ্চা' প্ৰেম শিকিব খোজ, তেন্তে হিন্দী ফিল্ম তোৰ বেষ্ট ম'ডেল।

বিপুল—অ'ই নাহে নাহে ক—শুনিব।

দীপক—(চমকি) হঁ। দেউতাৰ আছে নেকি ?
বিপুল—দেউতা নাই। ধনেকা আছে নহয়।
দীপক—(আচৰিত) ধনেকা ? কোন ধনেকা ?
বিপুল—আমাৰ ধনেকা ; তই দেখা নাই কোনোদিন ?
দীপক—(ভাবি) অ....। মই ঠিক ধৰিব পৰা নাই।
বিপুল—কিয় ! সেই যে প্ৰায় বুঢ়া যেন দেখিব খোজো মানুহ জন। এখন হাত কোঙা, এটা চকু....
দীপক—অ'....চাকৰটো ! তাকেই কোৱা নাই কিয় ?
বিপুল—চাকৰ মানে ?
দীপক—কি তেন্তে ? কাৰ কথা কৈছ ? সেইজন চাকৰ নহয় জানো ?
বিপুল—নামত চাকৰ যদিও সি আমাৰ অভিভাৱক।
দীপক—অভিভাৱক। গাৰ্জেন ? ছিঃ (ঘৃণা ভাৱত)
বিপুল—নাক কোচাই দিলি যে।
দীপক—মানে তহঁতে ইজ্জত খেদাবি বুজিছো। আৰে চাকৰ চাকৰেই। তাক অভিভাৱক বুলিবলৈ লাজ নেলাগিল। তহঁতৰ দৰে ষ্টেণ্ডাৰ্ড থকা মানুহৰ ল'বাই তেনে কথা কলে আত্মসন্মান যোৱা কথা।
বিপুল—(নম্ৰভাবে) ভুল কৰিলি দীপক। তই ভাবিছ চাকৰৰ আত্মসন্মান নাই।
দীপক—যুক্তিৰ দৰকাৰ নাই।
বিপুল—আমাৰ দেউতা চৰকাৰৰ ডাঙৰ চাকৰ, জানা ? বিশেষত্ব, টকা বেছি পায়। নিজা এম্বিচেডৰ আছে, আৰু......
দীপক—থ, থ তই দেখিছো 'ফিলোচফাৰ' হবি। সোনকালে ওলা, এই বাজে কথাবোৰ চোবাই লাভ নাই। আমাৰ মা দেউতাই এই কথা শুনিলে সৰ্ব্বনাশ কৰিব। Particularly চাকৰক অভিভাৱক বুলি কোৱা শুনিলে একেবাৰে ৰাস্তা Close (ঠিয় হৈ) ব'ল।
বিপুল—সন্মান পাবলৈ হলে সন্মান কৰিব জানিব লাগে দীপক।
দীপক—মই কৈছোঁ তই সোনকালে ওলা।
বিপুল—(গম্ভীৰ স্বৰে) মই নেযাওঁ যা....
দীপক—কাৰণ ?
বিপুল—'গাৰ্জ্জেনৰ পাৰ্মিচন নাই।
দীপক—তাৰ মানে ?
বিপুল—একেবাৰে সহজ ভাষাত ধনেকাই হিন্দী চিনেমা চাব নিদিয়ে।
দীপক—(খং উঠে) আৰু তই বুৰ্ব্বকৰ দৰে চাকৰ এজনৰ কথাকে মানি চুক ভেকুলি হৈ থাকিবি।
বিপুল—তাৰ বাহিৰে মোৰ উপায় নাই।
দীপক— All right (যাব খোজে)
বিপুল—তই এটা কথা শুনিবি ?
দীপক— No need তই যে এতিয়াও ইমান 'লো মাইণ্ডেদ' হৈ আছ কল্পনাই কৰা নাছিলোঁ। আৰু তহঁতৰ ঘৰখন......
বিপুল—ঠিক আছে। শুন। ধনেকা আমাৰ দেউতাৰ সমবয়সীয়া। ককা দেউতাই হেনো তাক কৰবাৰ পৰা আনিছিল। চাকৰ হিচাবে আছিল যদিও দুয়োজনৰ আন্তৰিক মিল আছিল। এবাৰ দেউতাই ১৫ হেজাৰ টকা লৈ বেঙ্কলৈ যোৱাৰ পথত ডকাইতৰ হাতত পৰে। দেউতাক সুনিশ্চিত মৃত্যুমুখৰ পৰা ৰক্ষা কৰে এই ধনেকাই আৰু পোন্ধৰ হেজাৰ টকা বচাবলৈ গৈ নিজৰ হাত এখন চিৰদিনৰ বাবে হেৰুৱালে।
দীপক—চাকৰৰ সেইটো কৰ্ত্তব্য।
বিপুল—মাক এবাৰ নিশ্চিত মৃত্যুৰ পৰা বচাবলৈ গৈ তাৰ চকু এটা চিৰদিনৰ বাবে নষ্ট কৰিছে।
দীপক—চাকৰৰ সেইটো ধৰ্ম্ম।
বিপুল—তাৰোপৰি নিজৰ জীৱন তুচ্চ কৰিও ভৰ বাৰিষা নদীৰ বুকুত জাপ দি ৰমেশ দাদাক বচাইছিল।
দীপক—অ' তাত কি হ'ল। সেই বুলি তোৰ উচ্চ পদমৰ্য্যদা থকা দেউতাৰা আৰু দাদায়েৰা থাকোতে তোৰ অভিভাৱক হব এজন চাকৰ। দূৰ—।
বিপুল—নহয় ভাই। মা মৰাৰ সময়ত দাদা আৰু মোক ধনেকাৰ হাতত গটাই দি গৈছে। আনকি দেউতাইয়ো ধনেকাক নিজৰ ভাইৰ দৰে মৰম কৰে। দাদা বৰ্ত্তমান ডাঙৰ উকিলেই হল— অথচ কোনো দিনে ধনেকাক টান কথা এষাৰ কোৱা শুনা নাই। এতিয়া দেউতাৰ অনুপস্থিতিত

ধনেকা আমাব পবিচালক। মাফ কবিবি ভাই চাকব হলেও সি আমাব আপোন যিয়ে—আমাব বাবে মৃত্যুকো ভয় নকবে।

দীপক—(বিবক্তিবে) All right তেন্তে তই নেযাবি?

বিপুল—এবা (ধনে সোমাই আহে)

দীপক—(ধনেব ফালে কটাক্ষ দৃষ্টি কবি) Thank you (প্রস্থান)

ধনে—এওঁ কোন বোপা ?

বিপুল—মোবেই বন্ধু ধনেকা। দীপক দত্ত। একেলগে কলেজত পঢ়ো ।

ধনে—এনেকৈ কিয় গুচি গল? চাহ তামোল···

বিপুল—নাখায় বোলে। চিনেমা চাবব বাবে তাবাতাবি গ'ল।

ধনে—তুমিয়োতো চাহ খোৱা নাই। যোৱা ভিতবলৈ। (বিপুল যায়। বাহিবত শুনা যায় ভিক্ষা পামনে? বাহিবত দেহ বিচাবব গীত শুনা যায়। ধনে মনোযোগেবে শুনি ভিক্ষাবীক ভিতবলৈ মাতে) আহ আহ ইয়ালৈ আহ।

(বিপুল আকৌ সোমাই আহে)

বিপুল—বব ধুনীয়া গীত। এইবোব গীত শুনিলে মোৰ ভাল লাগে ধনেকা (গীত চলি থাকে)

ধনে—দেহ বিচাৰব গীত শুনিলে শুনি থাকিবব মন যায়, পিছে এইবোব গীত আজি-কালি নুশুনাই হলোঁ। আমাব পুবণিকলীয়া মন জুবোৱা গীত-মাতবোব ক্রমে নোহোৱা হৈ যাব ধবিছে বোপা।

বিপুল—(অলপ আগুৱাই গৈ) অ' ভিক্ষাবী, ভিতবলৈ আহ। (গীত বন্ধ কবি ভিক্ষাবী আহি দুৱাব মুখত থিয় হয়) কোনো ভয় নাই। বহ তাতেই। এটা ধুনীয়াকৈ গীত গা। তোক পইচা দিম। ভয় নকবিবি। (মাটিত জোলোঙা থৈ খঞ্জুৰীবে গীত আবম্ভ কবে)......

(গীতব শেষত ভিক্ষাবী ঠিয় হয়। বিপুলে এটকা উলিয়াই)

বিপুল—ধনেকা এটকাই দিওঁনে।

ধনে—দিয়া।

ভিক্ষাবী- বোপা (টকা লৈ) জীৱনত একেলগে এটকা আজিয়েই পালোঁ। ভগৱানে আপোনাক আৰু ধন দিয়ক। (ধনে থব লাগি চাই থাকে) এওঁ কোন? (ধনেব প্রতি)

ধনে—তোমাব দবেই এজন—

বিপুল—নহয় ককাই।

ভিক্ষাবী—(নমস্কাব কবি) দয়াময় দবিদ্র নাবায়ণ (প্রস্থান)

ধনে—বোপা। হেজাব হলেও মই চাকব। বেলেগব আগত মোক ককাই বুলিবলৈ লাজ নোপোৱা জানো ?

বিপুল—উঁহো। তোক মই ককাই বুলিবলৈহে ভাল পাওঁ। (ধনেব আনন্দত মন নাচি উঠে। বাহিবত জোতাব শব্দ শুনি দুৱো চায়। লগে লগে বমেশ দত্ত আৰু জীৱন বৰা সোমাই আহে। ধনে বমেশব ফালে আগ বাঢ়ি যায়)

ধনে—(বংমনে) এঃ বোপা দেখোন। ইস বহুত দিন মই দেখাই নাই নহয় (মবম কবি গাত হাত বুলাব খোজে) বহা। বোহা বোপা। বিপুল বোপা (ভিতবলৈ যাবলৈ ইঙ্গিত কবে)

বমেশ—(অস্বস্তি বোধ কবি) ছিঃ গাত ধবিছা কিয়? অ' বহক বৰা। (বিপুল যায়। ধনে চোফা জোকাবি দিয়ে) দুয়ো বহে।

জীৱন—আপোনাব দেউতা ক'ত ?

বমেশ—বৰ্ত্তমান ডিব্রুগড়ত।

জীৱন—আৰু (ধনেলৈ)

বমেশ— Servant

জীৱন— Servant কিন্তু আপোনাব প্রতি যি behaviour (বমেশে লাজ পায়)।

ধনে—বোপা। ভালে আছা নহয় ....

বমেশ—তই ভিতবলৈ যা (ধনে যায়) বুজিছে বৰা! মই আৰু দেউতা নথকা বাবে ই বব বাঢ়ি গৈছে।

জীৱন—মই অলপ লাজেই পালোঁ। কাবণ চাকব এজনে আপোনালোকব চোফাতো বহে! That means,......

ৰমেশ--কি কৰিব কওকচোন । মানে ইহঁতে মোৰ সন্মান লাঘৱ কৰিছে ।

জীৱন--তাবোপৰি এইবোৰে আপোনাৰ ব্যক্তিত্বতো চেকা লগাব পাৰে।

ৰমেশ-- I shall turncd him cut· নহলে অন্য উপায় নাই মিঃ বৰা। ঘৰখনত থাকিব পৰা হলে অন্য কথা আছিল।

জীৱন--আমাৰো Servant আছে । কিন্তু চোফাত বহা দূৰৰ কথা আমাৰ সন্মুখত থিয় হৈ কথা নকয়, কব নোৱাৰে ।

ৰমেশ--বিপুল-- ।

জীৱন--যি হওক ! ইহতক কোনো পধ্যে লাই দিয়া উচিত নহয়। (বিপুল আহে)

বিপুল--মোক মাতিছে দাদা ।

ৰমেশ--ধনে কত গ'ল অ' ?

বিপুল--ভিতৰতে আছে পাক ঘৰত।

ৰমেশ--তাক তই চোফাত বহিব দিছিলি কিয় ।

(জীৱনে চিগাৰেট জ্বলাই)

বিপুল--মই একো বুজা নাই। ম-ই

ৰমেশ--ইডিয়ট, ভিক্ষাৰী জন ইয়ালৈ কিয় আহিছিল ?

বিপুল--বৰ ভাল গীত গোৱা বাবে ময়ে মাতিছিলো। আৰু......

ৰমেশ--কলেজত পঢ়ি এতিয়াও কেচুৱা হৈয়ে আছা।

জীৱন--অঁ তুমি কোন 'ইয়েৰত' পঢ়া ?

বিপুল-- P. U. Class ত (জীৱনে অৱজ্ঞাৰে চাই)

জীৱন--শুনা তোমাৰ দদায়েৰা এতিয়া উকীল । তোমাৰ দেউতাৰা এজন ডাঙৰ চৰকাৰী কৰ্ম্মচাৰী। দত্ত মোৰ সহপাঠীয়ে নহয় but also my Colleague অৰ্থাৎ একেলগে ওকালতি কৰো। গতিকে চাকৰ তাকৰৰ যেই সেই ব্যৱহাৰ দেখিলে মই বেয়া পাওঁ ।

বিপুল--চাকৰ হলেও ধনেকা কিন্তু....

ৰমেশ-- Shut up. Nonsense·

বিপুল--(ভয় খাই) দাদা !

ৰমেশ-- Get out. (ধনে বটাত তামোল লৈ আহে)

বিপুল--দাদা (বিপুল বিমৰ্ষ হয়)

ধনে--বোপা (বটা মেজত থৈ) কি হ'ল বিপুল বোপা।

জীৱন--ভদ্ৰলোকৰ ঘৰত চাকৰ থাকিলে ভদ্ৰতা শিকিব লাগে। এইখন এখন Aristocrate family। ইয়াত যেই সেই মানুহ অহা, যতে ততে বহা শোভা নেপায় । মিঃ দত্তৰ আত্ম সন্মানত আঘাট লগা মানে আমাৰো ।

ধনে--(একো নুবুজি) মই একো বুজা নাই বোপা !

ৰমেশ--বোপা নহয় গৰু ; চাৰ' Please excuse me Bora তামোল খাওক ।

বিপুল--(দুখ মনে) তই যা ধনেকা (ধনে যায়) দাদা। বান্ধনী ছোৱালী জনী নাই। চাহ ময়ে আনো।

জীৱন--নাই চাহ নেলাগে 'ব্ৰাদাৰ' (ঘড়ী চাই) দত্ত আপুনিতো জানেই মই যথাসময়ত উপস্থিত হব নোৱাৰিলে বাইজে বেয়া পাব। মই উঠো ।

ৰমেশ--বৰা ! আপুনি উঠিলেই দেখোন। Wit a bit, একাপ চাহ।

জীৱন-- Excuse me Dutta সময় বৰ তাকৰ। তাবোপৰি বন্ধু এজনৰ লগত মোৰ এটা Engagement আছে । (প্ৰস্থান)

ৰমেশ-- 'Good bye' (ভীষণ খঙত ইফাল সিফাল কৰি) ধিক মোৰ Aristocracy ! এটা সাধাৰণ কথাই মোৰ সন্মানত আঘাট কৰিলে । (বিপুলক) ক' তই তাক চোফাত বহিবলৈ দিছিলি কিয় ?

বিপুল--(অবাক হৈ) দেউতাইয়ো তাক কোনো দিনে বাধা কৰা নাই দাদা ; আনকি....

ৰমেশ-- Shut up. চাকৰ চাকৰেই। সি অন্য হব নোৱাৰে। সময় বদলি গৈছে। আগতে যি কৰিছিলোঁ এতিয়া আৰু কৰিব নোৱাৰোঁ। । মই এতিয়া উকীল। সি চাকৰ এজন হৈ মোৰ লগত একে শাৰীতে বহিব ই অসম্ভৱ--হব নোৱাৰে। দেউতাৰ ৰীতি-নীতি চিৰদিন থাকিব নোৱাৰে। হয় সি চাকৰৰ দৰে আচৰণ কৰিব লাগিব, নহয় আজিয়েই ঘৰৰ পৰা বাহিৰ হব লাগিব।

বিপুল--দাদা ! আপুনি কৈছে কি ? ধনেকাক ঘৰৰ পৰা বাহিৰ কৰি দিব। দেউতাই ....

ৰমেশ--দেউতাৰ কথা থ। আজি মই যি লাজ পাইছো দেউতাই তাক নুবুজিব । মই তাক আজিয়েই খেদি দিম ।

বিপুল—(ভয় খাই) দাদা !

ৰমেশ—চুপ। কথা নকবি। দদায়েৰাৰ অপমানত তোৰ আঘাট লগা নাই ? (ধনে সোঁমাই আহে)

ধনে—কি হল বোপা !

ৰমেশ— Nonsense ! তোৰ কাৰণে আজি মোৰ মুখ উলিয়াব নোৱাৰা অৱস্থা। দণ্ডই মোক যি অপমান সূচক ইঙ্গিত দি গ'ল তাক মই জীৱনত পাহিৰ নোৱাৰো।

ধনে—(একো বুজিব নোৱাৰি) কি হ'ল বোপা ! মই একো বুজা নাই।

ৰমেশ—মই কোন জান ?

ধনে—মোৰ মৰমৰ ডাঙৰ বোপা ৰমেশ।

ৰমেশ—কিন্তু মনত ৰাখিবি মই এতিয়া ওকালতি কৰোঁ। সেই দিন এতিয়া নাই।

ধনে—জানো বাপা ! জানো ! তুমি ....

ৰমেশ—তই আমাৰ পৰিয়ালৰ বিষয় জান ?

ধনে—এটা অকামিলা পৰিয়াল।

ৰমেশ—কোনে দিছে তোক এই অধিকাৰ ?

বিপুল—দাদা তাক এইবোৰ....

ৰমেশ—বাহিৰ হৈ যা মূৰ্খ। কলেজত পঢ়ি এতিয়াও সি পানীকেচুৱা হৈয়ে আছে। মান ইজ্জত এতিয়াও বুজা হোৱা নাই।

ধনে (দুখ মনে) কিন্তু মোৰ অপৰাধ ? মই একো বুজা নাই।

ৰমেশ—নুবুজিবিতো ; বান্দৰে নাৰিকলৰ মূল্য কি বুজিব ?

ধনে—এইবোৰ কৈছা কি বোপা ?

ৰমেশ—শুন। তই যদি এইখন ঘৰত থাকিব খোজ তেন্তে চাকৰৰ দৰে ব্যৱহাৰ কৰিবলৈ শিকি লবি। অতীতৰ সামান্য এটা কথাকে খামুচি ধৰি তই আমাৰ সমানে সমানে চলিব নোৱাৰ। যদি অসহ্য হয় ওলাই যাবি। অন্যথাই তোক মই কুকুৰৰ দৰে খেদি দিম। মনত ৰাখিবি তই চাকৰ।

বিপুল—(ওচৰ চাপি মিনতিৰে) ধনেকাক খেদি নিদিব দাদা। সি আমাৰ অতি আপোন। ধনেকা আমাৰ --

ৰমেশ—(চৰ মাৰি) মোক উপদেশ দিব আহিছ গৰু! মুখে মুখে তৰ্ক কৰিব শিকিছ ?

ধনে —(বিপুলক সাৱতি ধৰি) ৰমেশ বোপা, তুমি পাগল হৈছা নেকি ? বিপুল বোপাক মাৰিছা কিয় ?

ৰমেশ—(খঙত অস্থিৰ হৈ) কি ? তোৰ ইমান সাহস। মোক তই পাগল সজাইছ। Stupid ! তই মোৰ সন্মুখত থিয় হৈ সমানে সমানে তৰ্ক কৰিছ ?

ধনে—(সাহসেৰে) উচিত কথাই কৈছো। তুমি ঘৰখনত হাহাঁকাৰ লগাইছা কিয় ?

ৰমেশ—(চৰমাৰি) বাহিৰ হৈ যা কুত্তা। বাহিৰ হ মোৰ ঘৰৰ পৰা। তই লাই পাই বাঢ়ি গৈছা। তই আজিয়েই মোৰ ঘৰৰ পৰা আতৰ হব লাগিব। এতিয়াই—এই মুহূৰ্ত্তে (বেগাই প্ৰস্থান)

ধনে—(শোক বেজাৰত অভিভূত হৈ পৰে। বিপুলে সাৱটি ধৰে। বিপুলো দুখত অস্থিৰ হৈ উঠে। ক্ষন্তেক পাচতে ধনে প্ৰকৃতিষ্ঠ হবলৈ চেষ্টা কৰে। মুখত এটি অস্বাভাৱিক বং ভাহি উঠে। বিপুলক এৰি দি কিছু আগুৱাই যায়।) এৰা মই ....কুকুৰ। মই চাকৰ....মই ....মই (ৰমেশৰ কথাখিনি প্ৰতিধ্বনি হয়......'তই চাকৰ....তোক এই ঘৰৰ পৰা বাহিৰ কৰি দিম ....এতিয়াই এই মুহূৰ্ত্তে) এৰা ....এৰা....মই বাহিৰ হৈ যাম.... মই এই মুহূৰ্ত্তে বাহিৰ হৈ যাম। মই তোমালোকৰ কোনো নহয়। কিন্তু কিয় ? মই আজি পঙ্গু কিয় ? কাৰ কাৰণে ?? কাৰ কাৰণে ?... (উত্ৰাৱল হৈ উঠে)

বিপুল—ধনেকা। ধনেকা তই এনে কৰিছ কিয় ?

ধনে—নাই —নাই —মোক নুচুবা। তোমালোক ডাঙৰ মানুহৰ জাত। মোক নুচুবা মোক নুচুবা.... (হুক্‌হুকাই কান্দে)

বিপুল—ধনেকা। তই কান্দিছ ধনেকা। নেকান্দিবি নেকান্দিবি।
(ঠোকাঠুকি মাত)

ধনে —এৰা নেকান্দো। মই আৰু কোনো দিন নেকান্দো মই এই ঘৰৰ পৰা আঁতৰি যাম। চিৰদিনৰ

বাবে, মই আতবি যাম। মই --চাকব--
...মই ....কুকুব......মই......পঙ্গু । (মঞ্চ কঁপি উঠে।) আকাশব পিনে চাই থাকে। বিপুলে হাতত ধবি থাকে) মই দেউতাবাক মৃত্যু মুখব পবা বচোৱা নাই.... মই বমেশব বাবে জীৱন মৰণ আওকাণ কবা নাই....মই মাবব বাবে চিবদিনব বাবে পঙ্গু হোৱা নাই .. কোন জানা ? জানা ?

বিপুল--ধনেকা....ধনেকা....(চিঞৰি উঠে)

ধনে--ধনেশ্বৰে কাবোবাবে পৃথিৱীত চকুপানী পেলোৱা নাই....কাবো বাবে। সি কোনো দিন ত্যাগ কবা নাই ....হাঃ হাঃ হাঃ

বিপুল--(আতঙ্কত) তোব কি হ'ল ধনেকা....।

ধনে--আঁতবি যোৱা,....আতবি যোৱা....মোক নুচুবা.... মোব বাবে তোমাব সন্মান যাব হাঃ হাঃ হাঃ । তোমাব মা দেউতাবাক বক্ষা কবিছিল এজন চাকবে, হাঃ হাঃ হাঃ বমেশক বচাইছিল এজন চাকবে হাঃ হাঃ হাঃ ।

বিপুল--(সাবটি ধবে কিন্তু বলিয়াব দবে চিঞৰি বিপুলব হাতব পবা ওলাই যায়)

ধনে--এবি দে....এবি দে। মই তোমালোকব কোনো নহয়, মই......মই....সৰু মানুহ, মই চাকব, হাঃ....হাঃ.... মই কুকুব ....হাঃ হাঃ হাঃ ।

মঞ্চত এটি ভয় লগা পবিবেশব সৃষ্টি হয়। ধনেব আট্টহাস্য বাঢ়ি যায়। ক্রমে এন্ধাব হৈ আহে। )

---আঁব কাপোব---





গাবঁরে জীরবী
নপোন সুন্দরী
গাবঁতে সবগ বচো মই................



# সম্পাদকীয়

**যুৱ ছাত্ৰ-শক্তিৰ অস্থিৰতা :**

যুৱ ছাত্ৰ-শক্তি মহান শক্তি। এই শক্তি যেই সেই কাৰ্য্যতেই প্ৰয়োগ কৰি অপব্যয় কৰা উচিত নহয়। এনে কিছুমান কাৰ্য্য কৰা দেখা যায় যিবিলাক কৰি সুফল পোৱা নাযায় বৰং বিশৃঙ্খলাৰহে সৃষ্টি হোৱা দেখা যায়। সমস্যাবহুল সমাজত হয়তো ছাত্ৰৰ কৰ্ত্তব্য বৰ গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই ক্ষেত্ৰত বৰ্ত্তমান ছাত্ৰ-ছাত্ৰী সকল একত্ৰিত হৈ সৎসাহসেৰে আগবাঢ়ি আহি বিষয়বস্তুৰ গভীৰ আলোচনা কৰি সৎ পথেৰে গতি কৰাতো প্ৰয়োজন হৈ পৰিছে। নিয়মানুবৰ্ত্তিতাৰ কথা পাহৰি নগৈ মুষ্টিমেয় লোকৰ নেতৃত্বত সকলো ক্ষেত্ৰতেই আগ বাঢ়ি নগৈ যুক্তি আৰু বিবেচনাৰ দ্বাৰা আগ বাঢ়ি সামূহিক কাম সামধা কৰিলে নিশ্চয় যুৱ ছাত্ৰ-শক্তি অথলে নাযাব। চাক্ষুষ দৃষ্টিৰে দিগবলয় চুকি পোৱা টান—ই অতি বহল ; কিন্তু জিজ্ঞাসু মনেৰে বিশালতালৈ দৃষ্টি ৰাখি শৃঙ্খলাৰে আজিৰ যুৱক যুৱতীয়ে প্ৰগতিশীল জাতি বা দেশৰ লগত সমানে সমানে ফেৰ মাৰি আগবাঢ়িবৰ সময় হ'ল।

**শিক্ষা আৰু শিক্ষিত নিবনুৱা :**

আজি আমাৰ দেশত প্ৰচলিত শিক্ষাব্যৱস্থা আৰু ইয়াৰ কাৰ্য্যকাৰীতা সম্বন্ধে সমাজৰ চিন্তাশীল ব্যক্তি সকলৰ মনত সন্দেহ ঘনীভূত হোৱা দেখা গৈছে। মনুষ্যত্ব বিকাশৰ বাবে বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়লৈ যোৱা হয়। প্ৰকৃত শিক্ষা লাভ কৰিবলৈ গৈ কিতাপৰ পাঠ কেইটামান মুখস্থ কৰি পৰীক্ষা পাছ কৰি এটি উপাধি লৈ অফিচে অফিচে চাকৰী বিচৰাই হ'ল আমাৰ কাম। এই শিক্ষাই শাৰীৰিক শ্ৰমমৰ্য্যদাৰ দিশটোক একোতেই সহায় নকৰিলে।

স্বাধীন দেশৰ নাগৰিক হিচাপে দেশৰ শিক্ষিত নতুন পুৰুষৰ কৰ্ত্তব্য বহুত। আজি দেশত বহুত সমস্যা। ৰাজনীতি সমস্যা, খাদ্য সমস্যা, নিবনুৱা সমস্যা, জনসংখ্যা বৃদ্ধি সমস্যা, ভাষা সমস্যা আদিয়ে জুমুৰি দি এক বিভ্ৰান্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। সকলোৱে এই সমস্যাবোৰৰ বিষয়ে চিন্তা কৰিছে ; কিন্তু কোনোটোৱেই সমাধানৰ পথত আগবাঢ়িব পৰা নাই। কিন্তু এনেবোৰ সমস্যাৰ সমাধান আমাক কোনে দিব ? যাদু-মন্ত্ৰেৰে সমস্যা সমাধান কৰিব পৰা নেযায়। সেয়ে ইয়াৰ বাবে নতুন পুৰুষ সজাগ হব লাগিব। শিক্ষা লাভ কৰি পোনে পোনেই চাকৰিৰ বাবে ঘূৰিলে নিবনুৱা সমস্যাৰ সম্পূৰ্ণ সমাধান হোৱাটো এই আৰ্থিক দৈন্যৰে ভৰা দেশখনত সম্ভৱ নহয়। আমি ভাবো, শিক্ষিত লোকৰ কিছু সংখ্যকেও পিতৃ পুৰুষসকলে জীবিকা নিৰ্ব্বাহৰ বাবে কৰি অহা ব্যৱস্থাবিলাক উন্নত পদ্ধতিৰে কৰি নিজৰ জীৱিকা উপাৰ্জ্জন কৰিব লাগিব। উন্নত প্ৰণালীত সিবোৰ কৰিবলৈ ললে আন দুই চাৰিকো সিবোৰত নিয়োগ কৰিব পৰা যায়। এনে উৎসাহী শিক্ষিত লোকসকলক চৰকাৰে সহায় কৰাটো একান্ত

কৰ্ত্তব্য। শিক্ষাৰ ব'দকাচলিত বহু সমস্যা সমস্যা বুলি বাউচি জুবিলেই নিবনুৱা সমস্যাৰ সমাধান হব নোৱাৰে। বক্তৃতা বা কাগজে পত্ৰে কলেই নহব, হাতে-কামে ধৰিব পাৰিলে শ্ৰমবিমুখ বুলি শিক্ষিত নতুন পুৰুষৰ ওপৰত যি অভিযোগ তৰা হয় তাক খণ্ডন কৰিব পৰা হব। শ্ৰমৰ মৰ্য্যদা বুজিবৰ হ'ল।

**জাতীয় চৰিত্ৰ :**

এখন সমাজ বা এটা জাতি হিচাবে থিয় দিবলৈ হলে কিছুমান জাতীয় বৈশিষ্ট্যক জীয়াই ৰখাটো প্ৰয়োজন। আমাৰ প্ৰত্যেক জাতিৰে নিজা নিজা বৈশিষ্টমূলক বিভিন্ন কলা-কৃষ্টিৰ সংস্কৃতি আছে। আজি বহুত ক্ষেত্ৰত জাতীয় চৰিত্ৰৰ ওপৰত পশ্চিমীয়া প্ৰভাৱ পৰা দেখা যায়। যি কোনো দেশে বা যি কোনো জাতিয়ে নিজক পাহৰাটো উচিত নহব। উদাহৰণস্বৰূপে আজি যদি বিহুতলীত কোনো অসমীয়াই চুঙা পেণ্ট পিন্ধি বিহু নাচে, মিনিস্কাৰ্ট শাৰী পিন্ধি বিহুতলীৰ নাচনী হয়, ই কোনো দিনে শোভা নাপায়। সেইদৰে খদ্দৰ গামোছা পিন্ধি যদি বলডেন্স দিব যায় তেতিয়াহলে নাচৰ ৰূপ লোহোৱা হব। যি দেশৰ যি দস্তুৰ। আনৰ অনুসৰণ কৰাটো ভাল কিন্তু সেই বুলি নিজৰটো বাদ দিয়া উচিত নহয় আনৰ ভালখিনিহে গ্ৰহণ কৰিব লাগিব। আজি সেই কথা চিন্তা কৰিবৰ হ'ল।

**সাহিত্য :**

সাহিত্য হল সমাজ বা এটা জাতিৰ প্ৰতিচ্ছবি। প্ৰকৃত সাহিত্যত সমাজৰ প্ৰকৃত ৰূপ দেখিবলৈ পোৱা যায়। কিন্তু সাহিত্যৰ মান নিৰ্দ্ধাৰণ কৰে উপযুক্ত সমালোচনাই। অধ্যাপক হেমন্ত শৰ্ম্মাই কৈছে "সমালোচনা হ'ল বণুৱা ঘোৰাৰ লেকাম। গতিকে সুস্থ সমালোচনা নহলে প্ৰসিদ্ধ সাহিত্যৰ সৃষ্টি নিশ্চয় হব নোৱাৰে।"

কেৱল মানুহৰ জীৱনৰ কথা লিখি বা সমাজৰ হেজাৰ বিজাৰ দোষ ত্ৰুটিৰ কথা লিখি সাহিত্য ৰচনা কৰিলেই পূৰ্ণাঙ্গ সাহিত্য হব বুলি আমি বিশ্বাস কৰিব নোৱাৰো। সেয়ে দেশৰ অ'ত ত'ত পৰি থকা চিহ্ন স্মৃতি ধলুৱা সংস্কৃতি আদিৰ কথা বুটলি আনি সাহিত্যৰ ক্ষেত্ৰ চহকী কৰাৰ আজি সময় হল।

আজি কুৰি শতিকাত অসমীয়া সাহিত্যৰ কবিতা, গল্প আদিয়ে ১৯ শ শতিকাৰ গল্প কবিতাৰ যি ধাৰা আছিল তাক সলনি কৰি এটি নতুন গতি পথেৰে আগ বাঢ়িছে। ই সঁচাকৈয়ে অসমীয়া সাহিত্যৰ এটি শুভ লক্ষণ।

**মূল্য বৃদ্ধিৰ সমস্যা :**

আজি দিনক দিনে বিভিন্ন যাৱতীয় বস্তুৰ মূল্য বৃদ্ধি হৈছে। এইদৰে বস্তুৰ মূল্য বৃদ্ধি কিয় হবলৈ পালে? জন সংখ্যা বাঢ়িছে? উৎপন্ন কমিছে? নিজ দেশত বস্তু নাই?

এই মূল্য বৃদ্ধিৰ সমস্যাটো অকল চৰকাৰে সমাধান কৰিব পাৰিব বুলি কোৱাতো উচিত নহব। ইয়াৰ বাবে লাগিব বিভিন্ন ধৰণৰ শিল্পজাত উদ্যোগ। কৃষি সামগ্ৰীৰ মূল্য সমন্বয়মূলক ভাবে নিৰ্ণয় কৰি আৰু কৃষিজীৱি লোকক কৃষিজাত শস্য উৎপন্ন কৰিবলৈ অধিক সা সুবিধাও দিব লাগিব। তেনে সুবিধা দিলেও নিৰক্ষৰ খেতিয়ক সকলে সেই সুযোগ গ্ৰহণ কৰিবলৈ অসমৰ্থ। সেয়ে শস্যভূমি প্ৰস্তুতি কৰি নতুন পুৰুষে এই ক্ষেত্ৰত কাৰ্য্যকৰী ভূমিকা গ্ৰহণ কৰিব লাগিব।

**বাংলা দেশৰ ভগনীয়া সমস্যা :**

বৰ্ত্তমান বাংলা দেশৰ গৃহকন্দলৰ জুইৰ ফিৰিঙতি গোটেই বিশ্বতেই চিটিকি পৰাৰ উপক্ৰম হৈছে। এইখিনিতেই মনলৈ আহে ইজৰাইলৰ যুদ্ধ আৰু ভিয়েটনামৰ যুদ্ধৰ কথা। আজি ভাব হয় এই যুদ্ধ সমূহে হয়তো এয়া মহা-সমৰৰ প্ৰস্তাৱনা মাত্ৰ।

ভাৰতে বাংলা দেশৰ লাখ লাখ ভগনীয়াক ঠাই দিছে, খাবলৈ দি সহায় কৰিবলৈ চেষ্টা কৰিছে নিজৰ সহস্ৰ সমস্যা কাটি কৰি থৈ। ই ভাৰতৰ বাবে জটিলতৰ কথা। তথাপি আশ্ৰয় দি মানবীয়তাৰ যি ভূমিকা গ্ৰহণ কৰিছে, ইয়াৰ সাৰ্থকতাৰ কেতিয়া কোনে কিমান মূল্য দিব?

আমি আজি তৃতীয় মহাসমৰ নিবিচাৰো, বিশ্ব ধ্বংস নিবিচাৰো। আমাক লাগে পৰস্পৰে পৰস্পৰৰ মাজত বুজাবুজিৰ ভাৱ আৰু শান্তি প্ৰগতিৰ পথ।

**কলেজৰ উন্নতিকৰণ :**

১৯৬৪ চনত ৰাইজৰ অশেষ চেষ্টা, দান, পৰিশ্ৰমৰ ফলত জনজাতিপূৰ্ণ অঞ্চল বকোত জৱাহৰলাল নেহৰু কলেজ স্থাপন হয়। ১৯৬৯ চনৰ এক চেপ্তেম্বৰৰ পৰা অসম চৰকাৰৰ ঘাটি মঞ্জুৰী পাইছে যদিও বৰ্ত্তমানে কলেজ খনৰ সৰ্ব্বাঙ্গিন উন্নতিকৰণৰ বাবে যত্নপৰ হব লগা হৈছে।

বৰ্ত্তমান কলেজখনত কেইটিমান সীমাবদ্ধ বিষয়ৰ বাহিৰে অইন বিষয় নাই। বিভিন্ন বিধৰ বিষয় অধ্যয়ন কৰিব পৰাকৈ অতি সোনকালে কৰ্ত্তৃপক্ষই কেইটামান বিষয় খোলাৰ ব্যৱস্থা কৰিব লাগে--বিশেষকৈ এডুকেচন(Education), লজিক ( Logic ) আদি। আনহাতে এনে পিচ পৰা অঞ্চলৰ ছাত্ৰ ছাত্ৰীৰ শিক্ষাৰ প্ৰসাৰতাৰ (বিজ্ঞান যুগত) বাবে বিজ্ঞান শাখা খোলাৰো অধিক প্ৰয়োজন হৈ পৰিছে। আৰু লগতে বিভিন্ন বিষয়ত অনাৰ্চ ক্লাচ খোলাৰো ব্যৱস্থা কৰিব লাগে।

ক্লাচ নথকা সময়খিনি নাইবা জিৰণি সময়খিনি কটাবৰ বাবে উপযুক্ত পঢ়া কোঠা (Reading Room ) বা জিৰণি কোঠাৰ ( Common Room ) অভাব প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰে। শেষত ছাত্ৰ সকলে কলেজৰ বাৰন্দা পাৰ্টিক' আদিত বহিবলৈ বা ঘূৰি ফুৰিবলৈ বাধ্য হয়। ছোৱালীৰ কাৰণে জিৰণি কোঠা আছে যদিও সি সৰু আৰু কোঠাত আৱশ্যকীয় সা সজুলিৰ অভাব। ছাত্ৰ-ছাত্ৰীসকলে দাবী জনায় যে কৰ্ত্তৃপক্ষই যাতে অতি সোনকালে ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত জিৰণি কোঠা খোলাৰ ব্যৱস্থা কৰে। কলেজ এখনৰ ছাত্ৰ-ছাত্ৰী নিবাসৰ নিতান্তই প্ৰয়োজন। আমাৰ ছাত্ৰাবাস আছে; ই এতিয়াও পূৰ্ণতা লাভ কৰিব পৰা নাই। আনহাতে ছাত্ৰী নিবাস এটিও হৈ উঠা নাই। কৰ্ত্তৃপক্ষই ভাড়াতীয় ঘৰতহে ছাত্ৰী নিবাস কৰি দিছে। অতি সোনকালে পূৰ্ণ ছাত্ৰা বাস আৰু ছাত্ৰীবাস নিৰ্ম্মাণ কৰিব বুলি কৰ্ত্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল। আৰু লগতে ছাত্ৰবাসৰ কাষত অধ্যাপকৰ আবাস এটা গঢ়ি তুলি ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্কটো গাঢ় কৰি তোলাত কৰ্ত্তৃপক্ষই সঁহাৰি দিব বুলি আশা কৰিছো।

শৰীৰৰ উৎকৰ্ষ সাধনৰ বাবে কলেজত দুই এটা খেলাৰ সজুলিৰ বাহিৰে অধিক নাই। বিভিন্ন খেলৰ সজুলি আনি আৰু কলেজৰ খেল পথাৰখন কৰ্ত্তৃপক্ষই খেলা খেলিবৰ বাবে উন্নতৰ কৰি দিব বুলি আশা ৰাখিলোঁ।

সঙ্গীতপ্ৰেমী সকলৰ বাবে দুই এপদ গান গোৱা সা-সৰঞ্জাম আছে যদিও নাট্যমোদী বা কলামোদী ছাত্ৰ ছাত্ৰীয়ে এখন ৰঙ্গমঞ্চৰ কথা বাৰুকৈয়ে অনুভৱ কৰিছে। সেয়েহে এই বিষয়ত কৰ্ত্তৃপক্ষৰ দৃষ্টি গোচৰ নকৰাকৈ থাকিব নোৱাৰিলো।

কলেজ পুথি ভঁৰালত বহুতো কিতাপ থাকিলেও বহুত বিষয়ৰ ৰেফাৰেঞ্চ (Reference) কিতাপৰ অভাব ছাত্ৰ-ছাত্ৰী তথা শিক্ষা দান ক্ষেত্ৰত অধ্যাপকসকলে অনুভৱ কৰি আহিছে। আনকি লাইব্ৰেৰী কোঠাত ভালদৰে বহি মেলি পঢ়াৰ ব্যৱস্থা কৰা হোৱা নাই। কৰ্ত্তৃপক্ষই এইবোৰ অভাব দূৰ কৰিবৰ যত্ন কৰাৰ লগতে বিভিন্ন ধৰণৰ বাতৰি কাকত, আলোচনী আদি যথাস্থানত যোগান ধৰাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো।

বজাৰৰ পৰা বহু নিলগত (ওচৰত কোনো ভাল দোকান পোহাৰ নাই) আৰু পুৱা ১০ বজাৰ পৰা আবেলি ৩-১৫ মিনিত লৈকে ক্লাচ কৰাৰ পাচত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলে অনুভৱ কৰে এখন কেণ্টিনৰ। আশা কৰিছো কৰ্ত্তৃপক্ষই কেণ্টিন খোলাৰ ব্যৱস্থা কৰিব।

বৰ্ত্তমান আমাৰ কলেজখনে ঘাটি মঞ্জুৰী পাইছে। ইয়াত ১৯৭১ চনৰ পৰা প্ৰাগ বিশ্ববিদ্যালয় শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা লোৱাৰ অনুমোদন গুৱাহাটী বিশ্ববিদ্যালয়ে দিছে। এইখিনিতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষক আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আনহাতে এই কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে বি, এ মহলাৰ ১ম খণ্ড আৰু ২য় খণ্ডৰ

চূড়ান্ত পৰীক্ষাবোৰ আন কলেজত গৈ দিব লাগে। এই বছৰৰ পৰা যাতে আমাৰ কলেজতে ১ম খণ্ড আৰু ২য় খণ্ডৰ (বি,এ মহলাৰ) শেষ পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰে তাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ তীব্ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ ।

নৱনিৰ্মিত কলেজখনৰ আভ্যন্তৰীণ অভাৱ-অভিযোগবোৰত কৰ্তৃপক্ষই চোকা দৃষ্টি ৰাখি আৰু লগতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰী, অধ্যাপকসকলেও সহায় সহযোগ আগবঢ়াই কলেজখন প্ৰগতিৰ পথত আগবাঢ়ি যোৱাত বিশেষ অৰিহণা যোগাব বুলি আশা ৰাখিলো। আৰু লগতে জৱাহৰলাল নেহৰু কলেজখনক অসম চৰকাৰ শিক্ষা বিভাগে যথেষ্ট পৰিমাণৰ অৰ্থ মঞ্জুৰী দি অনুন্নত অঞ্চলৰ কলেজখনৰ ছাত্ৰাবাস আৰু ছাত্ৰীবাসৰ লগতে কলেজ ভৱনৰ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ সুবিধা দিয়াৰ লগে লগে কলেজখন দোপত দোপে উন্নতিৰ পথত আগবাঢ়ি যোৱাৰ পথ সুগম কৰিব ।

**কৃতজ্ঞ :**

'ধন্যবাদ' বুলি কৈ কাৰবাক কিবা কাম কৰি দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰাতো উজু কথা। প্ৰথম বছৰ প্ৰথম সংখ্যা ; 'জৱাহৰ জ্যোতি' অলোৱাত যিসকলে একাণপতীয়াকৈ লাগি সহায় সহানুভূতি আৰু সৎ উপদেশ আগবঢ়ালে সেই সকলৰ নাম নোলোৱাকৈ থাকিব নোৱাৰিলো আৰু নোৱাৰিম। অধ্যক্ষ যতীন চন্দ্ৰ নাগ দেৱৰ বহুমূলীয়া উপদেশ, অধ্যাপক বসন্ত কুমাৰ দত্ত, অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ আৰু অধ্যাপক মদন চন্দ্ৰ কাকতি চাৰৰ বিভিন্ন দিশত অশেষ সহায় আৰু হিতোপদেশৰ কথা এই সম্পাদকৰ মনত চিৰদিন ৰব। এইখিনিতে অধ্যাপক কামিনী মোহন শৰ্ম্মা আৰু অধ্যাপক ধৰ্ম্মকান্ত বৰুৱা দেৱৰ শলাগ ললোঁ ।

আলোচনীখন প্ৰকাশ পোৱাৰ ক্ষেত্ৰত সহায় কৰা বন্ধু বান্ধৱী—পীতাম্বৰ, নৃপেন, মহেশ, নৰেশ্বৰ, বিপিন, নিৰঞ্জন, পৰমেশ্বৰী, মনচুৰ, বিজয়া, নীলিমা, অন্নে আৰু অমূল্যৰ শলাগ লৈছোঁ। অফিচকৰ্ম্মী কনক চন্দ্ৰ দাস আৰু ৰাধাচৰণ মেধিৰ লগতে উমেশ আৰু সোণালে মোৰ হিয়া ভৰা মৰম যাচিলোঁ ।

আৰু শলাগ লৈছো বেটুপাতৰ শিল্পী অজিত কুমাৰ বাভাক ।

আৰু শেষত যিসকল লিখক-লিখিকাই তেওঁলোকৰ মূল্যবান লিখনী পঠাই এই সম্পাদকক এনে দায়িত্বৰ পৰা মুক্ত কৰিলে, যিসকল মহান ব্যক্তিয়ে আমালৈ আশীষ বাণী পঠালে, যিসকল অধ্যাপক আৰু ছাত্ৰ ছাত্ৰীয়ে পৰোক্ষ আৰু প্ৰত্যক্ষ ভাবে উৎসাহ যোগালে আৰু লক্ষ্মীপ্ৰিণ্টিং প্ৰেছৰ যিসকল লোকে অশেষ শ্ৰম আৰু কষ্ট স্বীকাৰ কৰি ছপা কলত ছপা কৰি উলিয়ালে তেওঁলোকলৈ এই চ'ৰাৰ লিখকৰ অশেষ ধন্যবাদ আৰু শলাগৰ শৰাই আগবঢ়ালো ।

**আমাৰ কথা :**

বতৰ উকলিল। ফলৰ সোৱাদ নাইকিয়া হ'ল। বতৰৰ ফল বতৰত দিব নোৱাৰাৰ বাবে দুখীত। মই ভাবো এইখিনি দোষৰ পৰা খুব কম সংখ্যক কলেজ আলোচনীৰ সম্পাদকেহে বেহাই পায়।

আলোচনীখনৰ সম্পাদকৰ পদত নিযুক্ত কৰাৰ লগে লগে মনটো চিৰিং কৰি উঠিছিল আৰু বুকু কলধৰ্প কলধৰ্প কৰিছিল। বৰ দায়িত্বৰ কাম। তাতে আলোচনীখন প্ৰথম বছৰৰ প্ৰথম সংখ্যা। মনলৈ আহিছিল বহুদিন আগতে আলোচনী এখনৰ সম্পাদকে লিখা কথা "গ্ৰন্থ এখন সুন্দৰ ভাবে সম্পাদনা কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যত সততে সন্মুখীন হোৱা অসুবিধাসমূহ হ'ল .. লিখকসকলে একেবাৰে মূৰামূৰি সময়ত প্ৰবন্ধবোৰ দিবলৈ বিচাৰে আৰু পৰিণামত সম্পাদকৰ কাৰ্য্য সম্ভৱ হৈ নুঠে।" আমাৰ ক্ষেত্ৰটো ইয়াৰ অলপো ব্যতিক্ৰম নহল। দুই তিনিবাৰ লিখনি বিচাৰি জাননী দিয়াৰ সত্বেও লিখনী নেপাই বহুতৰ পৰা ব্যক্তিগত ভাবে প্ৰতিশ্ৰুতি দিও লিখনি খুজি আনিছিলো। আলোচনী খনৰ কলেবৰ বৃদ্ধি কৰিব নোৱাৰাৰ ফলত বহুতো বৈ গ'ল। তেওঁলোক যেন নিৰাশ নহয়। এই খিনিতে এটা কথা কও আমাৰ ছাত্ৰ-ছাত্ৰীসকলে লিখিবলৈ অভ্যাস নকৰে। লিখনী অপৈণত হব পাবে, কিন্ত

সদায় ঘহি থাকিলে শিলো ক্ষয় যায়। ফলত চৰ্চাৰ অভাৱত উপযুক্ত কবিতা গল্প প্ৰবন্ধ পাতি আদি পাবলৈ সম্ভৱ হোৱা নাছিল। বহুত পাইও এনে লিখনি ছপাব নোৱাৰিলো। এতিয়া "দুব সিহে বৰ সাহিত্যিক ডাল ওলাইছে" বুলি একো নকলেহে ৰক্ষা। সি যি কি নহওক আজিৰ যুব ছাত্ৰ-ছাত্ৰীসকলে ভবিষ্যতে সাহিত্যৰ বেদিত চাকি এগচি জ্বলাবলৈ সাহস কৰি ওলাই নাহে কিয় ?

প্ৰথম সংখ্যা 'জৱাহৰ জ্যোতিৰ' বাবে প্ৰাক্তন ছাত্ৰৰ পৰা লিখনি বিচাৰি চিঠি পত্ৰ লিখিছিলোঁ। শ্ৰীঅনিল কুমাৰ নাথৰ বাহিৰে কাৰো পৰা সঁহাৰি নেপালো। আৰু ভাবিছিলো বহুতো নতুন শিতান কৰিম বুলি যেনে প্ৰশ্নোত্তৰ, সম্পাদকলৈ চিঠি পত্ৰ, কোনো মহৎ লোকৰ লগত সাক্ষাৎকাৰ ইত্যাদি। বহুতো অসুবিধা হেতু সকলোবোৰ হৈ নুঠিল। ইয়াৰ উত্তৰোত্তৰ সকলে এইবোৰ শিতান কৰি আলোচনীখনৰ সৌষ্ঠৱ বঢ়াব বুলি আশা ৰ'ল।

ভুলৰ পৰা হাত সাৰিব নোৱাৰি। প্ৰথম সংখ্যা 'জৱাহৰ জ্যোতি' সম্পাদনা কৰাত যদি কিবা ভুল হৈ গল তাত মোৰ দোষ নাই। দোষ মোৰ অনভিজ্ঞতা আৰু অজ্ঞানতাৰ। কোনোবাই যদি ঠাইয়ে ঠাইয়ে 'বেয়া হৈছে' বুলি বিদ্ৰূপ কৰি কয় তেতিয়া একো কৈফিয়ৎ দিব নোৱাৰো। কাৰণ মোৰ ফালৰ পৰা চেষ্টাৰ মই কিঞ্চিতো ত্ৰুটি কৰা নাছিলো। বন্ধু বান্ধৱী আৰু পঢ়ুৱৈ বাইজে ক্ষমা কৰিব এয়ে আশা। আৰু যদি পূৰ্ব্বৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই ক্ষমা কৰিব চাগেও। প্ৰথম সংখ্যা জৱাহৰ জ্যোতিত কিবা নতুনত্ব দিব পাৰিলোনে নাই তাৰ বিচাৰ আপোনা লোকে কৰিব।

যি সকল বন্ধু বান্ধৱীয়ে 'জৱাহৰ জ্যোতি'ৰ সম্পাদনা কৰিবৰ সুবিধা দি দুই আষাৰ মুকলি কৈ কথা কবলৈ সুযোগ দিলে সেই বন্ধু বান্ধৱীসকলক মই পাহৰিব নোৱাৰো। আৰু শেষত সকলোকে প্ৰণিপাত কৰি ভয়ে ভয়ে বঙে বঙে চ'বাৰ সামৰণি মাৰি 'জৱাহৰ জ্যোতি'ক আপোনালোকৰ হাতত তুলি দিলো।

চিৰ চেনেহী ভাষা জননীৰ বেদি পোহৰ কৰক এই 'জৱাহৰ জ্যোতি'য়ে। জৱাহৰলাল নেহৰু কলেজ গৌৰৱেৰে উপচি পৰক। 'জৱাহৰ জ্যোতি' দীৰ্ঘায়ু হ'ক। কামনা মোৰ সদায় আছে আৰু থাকিব।

প্ৰীতিৰে—
**শ্ৰীজ্ঞান শঙ্কৰ খাখলাৰী**
সম্পাদক
**জৱাহৰ জ্যোতি।**

জৱাহৰলাল নেহৰু কলেজ
ছাত্ৰাবাস, বকো
১৮।১০।৭১ ইং